# তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীয়লোকসকলৰ সমাজ আৰু সংস্কৃতি ঃ এটি অধ্যয়ন

## (তিতাবৰ বিধানসভা সমষ্টিৰ চাহ বাগিছা সমূহৰ বিশেষ উল্লিখনসহ)

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ
অসমীয়া DSE - 2(H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প


তত্বাৱধায়ক
ড° গৌতম বৰা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
শ্ৰীমতী পৰী কুৰ্মী
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
ৰোল নং ঃ ৩০৮১০১৩৫
বিশ্ববিদ্যালয় পঞ্জীয়ন নং ঃ S1921701



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
ইং ২০২২ বৰ্ষ

# সূচীপত্ৰ


কৃতজ্ঞতা জ্ঞাপন ক

অৱতৰণিকা খ-গ

প্ৰথম অধ্যায় ঃ ১-৬

তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ চমু পৰিচয়

১.০১ তিতাবৰৰ চমু ইতিহাস

১.০২ তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলৰ অৱস্থিতি আৰু চমু পৰিচয়

১.০৩ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ জনসংখ্যা আৰু জীৱিকা।

দ্বিতীয় অধ্যায় ঃ ৭-১১

তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ সামাজিক জীৱন।

২.০১ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ অৰ্থনৈতিক জীৱন

২.০২ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ শিক্ষা

২.০৩ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ ধৰ্মীয় জীৱন

তৃতীয় অধ্যায় ঃ ১২-২৭

তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ সাংস্কৃতিক জীৱন

৩.০১ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ উৎসৱ-পাৰ্বন

৩.০২ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ সাজপাৰ

৩.০৩ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ বাদ্যযন্ত্ৰ

৩.০৪ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ লোকবাদ্য

৩.০৫ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ আ-অলংকাৰ

সামৰণি ২৮

পৰিশিষ্ট I-IV

(আলোকচিত্ৰ, তথ্যদাতাৰ নাম, গ্ৰন্থপঞ্জী)

# কৃতজ্ঞতা জ্ঞাপন

নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী হিচাপে গৱেষণা প্ৰকল্পটি কৰিবলৈ পোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা। ২০২২ চনৰ গৱেষণা কাৰ্যৰ লগত অসমীয়া বিভাগৰ দ্বাৰাই মই প্ৰথম বাৰৰ বাবে পৰিচিত হৈছোঁ। গতিকে মই আৰম্ভণিতে এই মহান নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগলৈ প্ৰণিপাত যাচিছোঁ।

মোৰ গৱেষণা কৰ্মটিৰ তত্বাৱধায়ক হিচাপে অসমীয়া বিভাগৰ অধাপক ড° গৌতম বৰা ছাৰৰ উপদেশ, অনুপ্ৰেৰণা, উৎসাহৰ লগতে প্ৰয়োজনীয় দিহা-পৰামশই উৎসাহ জনাই আহিছিল। তেখেতলৈ মই আন্তৰিক শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে বিভাগৰ সমূহ অধ্যপকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

গৱেষণা কাৰ্য অবিৰতভাৱে কৰি যোৱাত সহায় কৰা দাদা প্ৰবীণ কুৰ্মী, প্ৰশান্ত কুৰ্মীকে প্ৰমুখ্য কৰি গৱেষণা কৰ্মৰ তথ্য সংগ্ৰহৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা তিতাবৰৰ বিভিন্ন অঞ্চলৰ তথ্য দাতাসকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

এই গৱেষণা কাৰ্য কৰিবলৈ যাওঁতে মোক সাহস আৰু উৎসাহ জনাই এই ক্ষণত উপস্থিত হোৱাৰ ক্ষেত্ৰত সহায় কৰা মোৰ মাতৃ শ্ৰীমতী পুতলী কুৰ্মীৰ নাম নোলোৱাকৈ থাকিব নোৱাৰি। তেওঁক মোৰ ফালৰ পৰা সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰকল্পটি ছপা কৰি দিওঁতা প্ৰিন্ট্ প্লাজা প্ৰেছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীলৈ শলাগ আগবঢ়ালোঁ।

(পৰী কুৰ্মী)

## অৱতৰণিকা

**বিষয়ৰ পৰিচয় ঃ**

অসম হৈছে বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ মিলনভূমি। এই অসমতে অতীজৰে পৰা বাস কৰি আহিছে নানান ধৰণৰ জাতি আৰু জনজাতি। অসমত বসবাস কৰা বহুতো জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত চাহ-জনগোষ্ঠীসকল অন্যতম। এই চাহ-জনগোষ্ঠীৰ লোকসকলক বৃটিছসকলে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা চাহ-বাগিচাত কাম কৰিবৰ নিমিত্তে আমদানি কৰি আনিছিল। এওঁলোকক ইয়াণ্ডাবু সন্ধিৰ পিছতেই বৃটিছ কোম্পানীৰ দালালৰ ফচলনিত অসমত চাহ গছৰ গুৰি খুচৰি সোণ বোটলাৰ এক ৰঙীন সপোন দেখুৱাই অনা হৈছিল এচাম কঠোৰ পৰিশ্ৰমী মানুহ। এই পৰিশ্ৰমী সহজ-সৰল লোকসকলে বৃটিছ বণিকৰ চালনা বুজিব নোৱাৰি এক সুখৰ সন্ধানত আনন্দিত হৈ এইদৰে গাইছিল-

'চল মিনি আসাম যাব,
দেশে বৰ দুখৰে ...'

চাহ-জনগোষ্ঠীসকল মূলতঃ উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, পশ্চিমবংগ, তামিলনাডু আদি ৰাজ্যৰ পৰা আহিছিল। এই জনগোষ্ঠীটো চাহ-বাগিচাত শ্ৰম দান কৰি জীৱন নিৰ্বাহ কৰাৰ বাবে চাহ-জনজাতি ৰূপে (ইংৰাজীত Tea-Tribes নামেৰে) পৰিচিত হয়। অসমৰ চাহ-জনগোষ্ঠীৰ লোকসকলৰ মাজত বিভিন্ন জাতিৰ লোক আছে। যেনে-কুৰ্মী, গোৱালা, ভূমিজ, ভূএঞা, খাড়িয়া, কাৱাৰ, কৰ্মকাৰ, লহাৰ, গড়, বৰাইক, ওৰাং, পৰজা, নায়ক, মুণ্ডা, মিৰ্ধা, বাক্তি, তাঁতী, চাঁওতাল, ঘাটোৱাৰ, গঞ্জু, মাঝি, চাহু, মানকি, মাহলি, মোদী, নাগবংশীয শবৰ, যাদৱ, তাচা, বাউৰী, ৰাও ইত্যাদি। এই চাহ-জনগোষ্ঠীলোকসকল নিজা জাতি-জনগোষ্ঠী অনুসৰি ভিন ভিন ভাষা ব্যৱহাৰ কৰে। তাৰ ভিতৰত হ'ল- চৰা, উৰিয়া, চাদ্ৰী, কুৰমালি, বঙালী, চাঁওতালি, খাড়িয়া, গণ্ডী, মুণ্ডাৰী ইত্যাদি। এই ভাষাসমূহৰ ভিতৰত আটাইতকৈ বেছি ব্যৱহৃত হোৱা ভাষাটো হ'ল চাদ্ৰী ভাষা। এওঁলোকৰ ভাষাসমূহৰ কিছুমানৰ নিজা দোৱান আছে।

অসমত থকা আন আন জনগোষ্ঠীৰ দৰেই চাহ-জনগোষ্ঠীয় লোকসকলেও অসমীয়া সংস্কৃতিক গ্ৰহণ কৰি অসমত বৃহত্তম অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। চাহ-জনগোষ্ঠীয়ে অসমৰ সংস্কৃতি গ্ৰহণ কৰি আন আন থলুৱা উৎসৱসমূহৰ দৰে বিহু-সংক্ৰান্তিও উলহ-মালহেৰে পালন কৰে। এওঁলোকে নিজৰ ভাষাটোৰ লগতে অসমীয়া ভাষাও ব্যৱহাৰ কৰে। তাৰ মাজতো তেওঁলোকে নিজৰ কলা-সংস্কৃতি, উৎসৱ-পাৰ্বনসমূহ উদ্‌যাপনৰ পৰা মুঠেই বিৰত থকা নাই। সময়ে সময়ে উদ্‌যাপন কৰিবলগীয়া উৎসৱ-পাৰ্বন তেওঁলোকে খুউব উলহ-মালহেৰে পালন কৰে। তেওঁলোকে এই উৎসৱসমূহ পালন কৰোঁতে নিজৰ পৰম্পৰাগত সাজপাৰ, আ-অলংকাৰ পৰিধান কৰি ঝুমুৰ নৃত্য-গীতেৰে অনুষ্ঠানসমূহ অনুষ্ঠিত কৰে। চাহ-জনগোষ্ঠীসকলে এই অনুষ্ঠানসমূহত বহুতো বাদ্যযন্ত্ৰও ব্যৱহাৰ কৰে। এই চাহ-জনগোষ্ঠীৰ লোকসকলৰ সাংস্কৃতিক জীৱনৰ উপৰিও সামাজিক জীৱন অৰ্থাৎ তেওঁলোকৰ শিক্ষাৰ আৰু ধৰ্মৰ দিশটো কেনেকুৱা ? সুচল হয়নে নহয় ? তেওঁলোকৰ জীৱন ধাৰণ প্ৰণালীটোৰ সম্পৰ্কে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে মূল তথ্যসমূহ বহলভাৱে আলোচনা কৰা হ'ব।

**বিষয়ৰ পৰিসৰ ঃ**

চাহ-জনগোষ্ঠীসকলৰ সামাজিক-সাংস্কৃতিক দিশটোৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে 'নিৰ্বাচিত তিতাবৰ অঞ্চলত বসবাস কৰা চাহ-জনগোষ্ঠীলোকসকলৰ পৰিচয়, সামাজিক দিশটোৰ লগতে সাংস্কৃতিক জীৱন' সামৰি লোৱা হ'ব। তিতাবৰ অঞ্চলত বসবাস কৰা চাহ-জনগোষ্ঠীলোকসকলৰ অৱস্থিতি, জীৱিকা, শিক্ষা, ধৰ্মীয় জীৱনৰ লগতে তেওঁলোকে পালন কৰা উৎসৱ-পাৰ্বণৰ লগতে তেওঁলোকে ব্যৱহাৰ কৰা সাজ-পাৰ, বাদ্যযন্ত্ৰ, আ-অলংকাৰ, লোকবাদ্যসমূহৰ আলোচনা কৰা হ'ব।

**বিষয়-অধ্যয়নৰ পদ্ধতি ঃ**

চাহ জনগোষ্ঠীৰ লোকসকলৰ সামাজিক আৰু সংস্কৃতি সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে বিশ্লেষণাত্মক অৰ্থাৎ ব্যাখ্যামূলক পদ্ধতিৰ সহায় লোৱা হৈছে।

**পূৰ্বকৃত অধ্যয়নৰ উৎস ঃ**

তিতাবৰৰ চাহ-জনগোষ্ঠীলোকসকলৰ সন্দৰ্ভত পূৰ্বতে অৰ্থাৎ ১৯৭৫ চনৰ ২১,২২,২৩ ফেব্ৰুৱাৰীত তিতাবৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বি-চত্বাৰিংশ অধিৱেশনৰ সুৰেণ বৰদলৈৰ সম্পাদনাত প্ৰকাশিত 'তিতাবৰ স্মৃতি' গ্ৰন্থখনত 'চাহ বাগিছাৰ অসমীয়া' প্ৰবন্ধটিত শ্ৰী অৰুণ কুমাৰ খেৰীয়া দেৱে ৩৪ পৃষ্ঠাত আৰু 'অসমৰ চাহ মজদুৰঃ বৰ্তমান আৰু ভৱিষ্যত' প্ৰবন্ধটিত শ্ৰী দেউৰাম তাছাদেৱে ৯০ পৃষ্ঠাত তিতাবৰৰ চাহ-জনগোষ্ঠী লোকসকলৰ সম্পৰ্কে সম্যক ধাৰণা এটি দিয়ে।

ড° বুদ্ধীন্দ্ৰ নাথ শইকীয়া দেৱৰ সম্পাদিত গ্ৰন্থ 'হীৰক ৰশ্মিত' শ্ৰী জয়ন্ত কুমাৰ শৰ্মা দেৱে 'আৰ্থ সামাজিক বিকাশৰ পটভূমিত তিতাবৰ' প্ৰৱন্ধত তিতাবৰৰ ইতিহাস আৰু সাহিত্য চৰ্চাৰ পৰম্পৰাৰ লগতে তিতাবৰৰ চাহ-জনগোষ্ঠীটোৰ কিছু আভাস দাঙি ধৰিছে।

বিষয় অধ্যয়নৰ উদ্দেশ্য ঃ নিৰ্বাচিত তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীৰ লোকসকলৰ জীৱনধাৰণ প্ৰণালী কেনেকুৱা, কেনেকুৱা পৰিৱেশ-পৰিস্থিতিত বসবাস কৰি আহিছে, তেওঁলোকৰ সামাজিক জীৱন, সাংস্কৃতিক জীৱনৰ বহল ব্যাখ্যা দাঙি ধৰাই এই প্ৰকল্পটোৰ মূল উদ্দেশ্য।

# প্রথম অধ্যায়

# প্ৰথম অধ্যায়
# তিতাবৰৰ চাহ-জনগোষ্ঠীলোকসকলৰ পৰিচয়

## ১.০১ তিতাবৰৰ চমু ইতিহাস ঃ

তিতাবৰ হৈছে অসমৰ যোৰহাট জিলাৰ এটা মহকুমা। পূৰ্বতে তিতাবৰ যোৰহাট মহকুমাৰ অন্তৰ্গত আছিল। কিন্তু ২০০২ চনৰ ১ নৱেম্বৰ তাৰিখে তিতাবৰ মহকুমা ৰূপে ঘোষণা হয়। আহোম স্বৰ্গদেউ সকলৰ দিনতে তিতাবৰ নামটোৰ উদ্ভৱ হৈছিল। বৰ্তমানৰ তিতাবৰ তিনি আলিৰ কাষতে থকা এম, আৰ, এছ স্কুলৰ ওচৰতে তিতাৰাম নামৰ আপোনভোলা স্বভাৱৰ লোক এজনে এজোপা বৰগছ ডাঙৰ-দীঘল কৰিলে। বাটৰুৱাই জিৰণি ল'ব বুলি তিতাৰামে ৰোপণ কৰা 'বৰ' জোপাৰ তলত চৌফলীয়া ৰ'দত সেইকণ জিৰণীৰ ঠাই বিচাৰি পালে। মুখে মুখে নাম ল'লে, বুজ ল'লে, তিতাৰামে ক'লে ইজনে সিজনে তিতাৰামে ৰোপণ কৰা বৰ পুলিটোৰ কথা। তিতাৰামৰ দূৰদৰ্শিতাৰ চানেকি তিতাৰামৰ বৰ অৰ্থাৎ তিতাবৰ। এনেকৈ তিতাবৰ ঠাইখনৰ নাম তিতাবৰ হ'ল বুলি কিম্বদন্তিয়ে সাক্ষ্য দিয়ে।

তিতাবৰৰ লোকসকলৰ প্ৰধান জীৱিকা হৈছে কৃষি। তেওঁলোকৰ মূল উৎপাদিত শস্য হৈছে চাহ আৰু ধান। এছিয়াৰ ভিতৰতে ডাঙৰ ধান গৱেষণা কেন্দ্ৰ তিতাবৰতেই অৱস্থিত। মহকুমাৰ সদৰ ঠাই হৈছে-তিতাবৰ। তিতাবৰ মহকুমাটো বিভিন্ন জাতি-জনগোষ্ঠীৰে গঠিত এখন সুন্দৰ ঠাই। তিতাবৰখন ভালেমান গাঁৱেৰে গঠিত এক বৃহৎ ঠাইৰ সমষ্টি।

যোৰহাট জিলাৰ তিতাবৰ উন্নয়নখণ্ডৰ কেইখনমান গাঁৱৰ নাম হ'ল-

১) বোকাহোলা গাঁও
২) বৰহোলা চাহ বাগিচা
৩) বৰহোলা গ্ৰাণ্ট
৪) চকিয়াল গাঁও
৫) চৰাইপানী চাহ বাগিচা
৬) বেবেজীয়া গাঁও
৭) বিৰিণাশায়েক
৮) বালিপৰীয়া গাঁও
৯) বালিজান গাঁও
১০) খ্ৰীষ্টান গাঁও
১১) দ ফলাটিং চাহ বাগিচা
১২) দক্ষিণপাট গাঁও
১৩) দাংধৰা গ্ৰাণ্ট
১৪) দেওঘৰীয়া গাঁও
১৫) ধ'লি চাহ বাগিচা
১৬) ধ'লাজান গ্ৰাণ্ট

১৭) গাহৰিচোৰা
১৮) গটঙা গ্ৰাণ্ট
১৯) খৰিকটিয়া গাঁও
২০) খৰিকটিয়া গ্ৰাণ্ট
২১) কুহুম গ্ৰাণ্ট
২২) কুহুম পুখুৰী
২৩) ১ নং মেজেঙ্গা
২৪) টিপমীয়া
২৫) তামুলবাৰী গাঁও
২৬) স্বৰ্ণপুৰ
২৭) ৰতনপুৰ
২৮) ৰঙাজান
২৯) ৰজাবাৰী
৩০) ৰজাবাহৰ গাঁও
৩১) পাণবাৰী গাঁও
৩২) পাণবাৰী চাহ-বাগিচা
৩৩) গোবিন্দপুৰ
৩৪) ২ নং চৰাইপানী গ্ৰাণ্ট
৩৫) ২ নং কাকদোঙা গ্ৰাণ্ট
৩৬) নামচুঙি
৩৭) ন-চুঙি গাঁও
৩৮) মেদেলুৱাজান
৩৯) মেলামাটি
৪০) লেটেকুজান
৪১) দাংধৰা
৪২) বাগৰদিয়া
৪৩) বচাবাৰী
৪৪) তাঁতি গাঁও
৪৫) ঠেঙাল গাঁও
৪৬) টুৰুং গাঁও
৪৭) ফুলবাৰী
৪৮) কাকদোঙা
৪৯) মহিমাবাৰী
৫০) কছাৰী গাঁও
৫১) বাঘৰ চুক

তিতাবৰ মহকুমাৰ ভিতৰত ওপৰত উল্লেখিত গাঁওসমূহৰ উপৰিও বহুকেইখনমান গাঁও আছে। তিতাবৰত মুঠ ১৬৪ খন গাঁও আছে। তিতাবৰৰ মুঠ জনসংখ্যা ২০১৭৯১। ইয়াৰে শিশু ১৬০৪৬ জন, অনুসূচিত জাতি ২৯৭৫, অনুসূচিত জনজাতি ১৩৩৫ আৰু শিক্ষিতৰ সংখ্যা ৮৪৭৬৯। তিতাবৰ মহকুমাৰ অন্তৰ্গত বৃহৎ চাহ বাগিচাৰ সংখ্যা ৪০ খন আৰু ক্ষুদ্ৰ চাহ বাগিচাৰ সংখ্যা ৩০১ খন। তিতাবৰত উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ৮৫ খন, উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা ৫৫ খন, উচ্চতৰ মাধ্যমিক বিদ্যালয় ১২ খন আৰু মহাবিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয় ১১ খন আছে।

পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ মহকুমাটোত যথেষ্ট সম্ভাৱনা আছে। বিশেষকৈ অঞ্চলটোত বিতৰণ হৈ থকা বৃহৎ তথা ক্ষুদ্ৰ চাহ-বাগানসমূহ; তথা গিবনৰ বান্দৰ, তথা বিভিন্ন জৈৱ বৈচিত্ৰ্যৰে আৱৰা গিবন বন্যপ্ৰাণী বনাঞ্চল। ঠেঙালভৱন, বৌদ্ধিষ্ট শ্যাম গাঁও, চুইছ গেট, তথা সীমামূৰীয়া নগাপাহাৰৰ মনোমোহা, বিশাল কৃষি-পথাৰ, বিভিন্ন কুটিৰ শিল্প-ভাস্কৰ্যৰে তিতাবৰ পৰিপূৰ্ণ। সৰ্বমুঠ ১৬৪ খন গাঁৱেৰে গঠিত অঞ্চলটোৰ তিতাবৰ হ'ল মুখ্য প্ৰশাসনীয় তথা বাণিজ্যিক কেন্দ্ৰ। দৰাচলতে ওপৰত উল্লেখ কৰা জনসংখ্যা বিষয়ক তথ্যৰ তালিকাখন ২০১১ বৰ্ষৰ লোকপিয়ল অনুসৰি। ২০১১ বৰ্ষৰ লোকপিয়ল অনুসৰি হিন্দু ধৰ্মৰ ১৭৭৮৪৫, ইছলাম ১২৮৪১, খ্ৰীষ্টিয়ান ৯০৪২, বৌদ্ধিষ্ট ১৩০৮ আৰু অন্যান্য ধৰ্মৰ ৭৫৫ ধৰ্মৰ লোক আছে।

## ১.০২ তিতাবৰ চাহ-জনগোষ্ঠীলোকসকলৰ অৱস্থিতি ঃ

তিতাবৰ অঞ্চলত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত চাহ-জনগোষ্ঠীসকল অন্যতম। তিতাবৰত চাহ-জনগোষ্ঠীসকলে এক বৃহৎ এলেকা আগুৰি আছে। তিতাবৰৰ বিভন্ন ঠাইত চাহ-বাগিচা আছে আৰু সেইসমূহ চাহ-বাগিচাৰ শ্ৰমিক হিচাপে কাম কৰি জীৱন নিৰ্বাহ কৰি আহিছে এছাম কঠোৰ পৰিশ্ৰমী লোকে। তিতাবৰ মহকুমাৰ অন্তৰ্গত বৃহৎ ৪০ খন চাহ-বাগিছা আছে। অৱশ্যে ক্ষুদ্ৰ চাহ-বাগিছা বহুত দেখিবলৈ পোৱা যায়। বৰ্তমান সময়ত বাগিছাৰ লোকসকলে নিজৰ মাটিতে চাহ খেতি কৰিবলৈ ধৰিছে। যাৰ বাবে তিতাবৰত ৩০১ খন ক্ষুদ্ৰ চাহ উদ্যোগ গঢ় লৈ উঠিছে। তিতাবৰৰ চৰকাৰী আৰু ব্যক্তিগত চাহ বাগিছাসমূহ হ'ল-

১) মাটিচোনা চাহ বাগিছা
২) হোলোংগুৰি চাহ বাগিছা
৩) লেটেকুজান চাহ বাগিছা
৪) টিপমীয়া চাহ বাগিছা
৫) গোবিন্দপুৰ চাহ বাগিছা
৬) বোকাহোলা চাহ বাগিছা
৭) খেৰমিয়া চাহ বাগিছা
৮) খৰিকটীয়া চাহ বাগিছা
৯) চৰাইপানী চাহ বাগিছা
১০) কুহুম চাহ বাগিছা

১১) ৰজাবাৰী চাহ বাগিছা
১২) শিলিখা চাহ বাগিছা
১৩) ধ'লি চাহ বাগিছা
১৪) মাধপুৰ চাহ বাগিছা
১৫) হাতীপাৰা চাহ বাগিছা
১৬) বছাবাৰী চাহ-বাগিছা
১৭) বাঁহনি চাহ বাগিছা
১৮) চুণ্ডী চাহ বাগিছা
১৯) শিঙৰীজান চাহ বাগিছা
২০) নাৰায়ণপুৰ চাহ বাগিছা
২১) গড়াজান চাহ বাগিছা
২২) মেজেঙ্গা চাহ বাগিছা
২৩) ডফলাটিং চাহ বাগিছা
২৪) স্বৰ্ণপুৰ চাহ বাগিছা
২৫) টাইৰুণ চাহ বাগিছা
২৬) কাছজান চাহ বাগিছা
২৭) চৈকটা চাহ বাগিছা
২৮) দিহিঙ্গিয়াপাৰ চাহ বাগিছা
২৯) ৰঙাজান চাহ বাগিছা
৩০) চৈকটা ফেক্টৰী চাহ বাগিছা
৩১) ৰংদৈ চাহ বাগিছা
৩২) কাটনিবাৰী চাহ বাগিছা
৩৩) ধপাতবাৰী চাহ বাগিছা
৩৪) পুঙাবাৰী চাহ বাগিছা
৩৫) লক্ষ্মীজান চাহ বাগিছা
৩৬) মহিমা চাহ বাগিছা
৩৭) হাতিপটি চাহ বাগিছা
৩৮) চৈয়দবাৰী চাহ বাগিছা
৩৯) চামুগুৰি চাহ বাগিছা
৪০) কল্পনা চাহ বাগিছা।

এই চাহ-বাগিচাসমূহত চাহ-জনগোষ্ঠীসকল বসবাস কৰি আছে। এওঁলোকৰ মাজত নিজা নিজা সামাজিক আৰু সাংস্কৃতিক পৰম্পৰা আছে। এই পৰম্পৰাৰে এওঁলোকে এক সুন্দৰ জীৱন অতিবাহিত কৰি আহিছে। তিতাবৰত বসবাস কৰা চাহ-জনগোষ্ঠীটো বিভিন্ন জাতিৰে গঠিত। এওঁলোক

মূলতঃ উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, পশ্চিমবংগ, বিহাৰ ইত্যাদি ঠাইৰ পৰা আহি নিগাজীকৈ থাকিবলৈ লয়। তিতাবৰত বসবাস কৰা চাহ জনগোষ্ঠীটো গঠিত হোৱা বিভিন্ন জাতিসমূহ হ'ল- কুৰ্মী, বৰাইক, পৰজা, বাক্তি, ওৰাং, কৰ্মকাৰ, গোৱালা, ৰাও, ভূঞা, ভূমিজ, মানকি, উৰিয়া, মুণ্ডা, লহাৰ, শবৰ, মানকি, মোদী, বাউৰী ইত্যাদি। তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীসকল বাৰেবৰণীয়া জাতি-জনজাতিৰে গঠিত হৈছে যদিও নিজৰ পৰম্পৰা সাংস্কৃতিক একতাৰ দোলেৰে বান্ধি ৰাখিছে।

তিতাবৰ অঞ্চলত বসবাস কৰা চাহ-জনগোষ্ঠীলোকসকলৰ মাজত বিভিন্ন সম্প্ৰদায়ৰ লোক আছে। তেওঁলোক প্ৰধানকৈ জনজাতীয় লোক। আৰ্য আৰু আদিবাসী তেজ মিহলি হৈ সৃষ্টি হোৱা কিছুমান সম্প্ৰদায়ৰ লোকো তেওঁলোকৰ মাজত আছে। ওপৰত উল্লেখ কৰা সম্প্ৰদায়সমূহৰ দুটামানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল।

**কুৰ্মী ঃ**

কুৰ্মীসকলৰ আদি বাসস্থান উত্তৰ ভাৰত, বিহাৰ, উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ। তেওঁলোকৰ পূণিয়া, দুমূৰীয়া, বাঁচিয়াৰ আদি বাৰটামান গোত্ৰ আছে। তেওঁলোকে নিজকে শিৱাজীৰ বংশধৰ বুলি কয়।
গড় ঃ গড়সকলৰ আদি বাসস্থান বিহাৰ, গুজৰাট, কৰ্ণাটক, এম, পি, উৰিষ্যা। গড়সকলৰ গোত্ৰ পাঁচটা- কৰিয়াম, চিয়াম, মাৰ্কাম, পাওলে আৰু পাঁৰ্তে। এই গড়সকলে কৰম পূজা, গ্ৰাম পূজা, ডাঙৰীয়া পূজা আদি পালন কৰে।

**ভূমিজ ঃ**

ভূমিজসকল কেল বংশজাত। ভূমিজসকল অসমলৈ আহি অসমৰ মাটি-পানীৰ লগত জিন গৈ অসমীয়া হৈ পৰিল।

**ভূঞা ঃ**

ভূঞাসকলৰ আদি বাসস্থান পাটনা, ভাগলপুৰ, হাজাৰিবাগ, পালাম, বমাই আদি।
গোৱালা ঃ গোৱালাসকলৰ আদি বাসস্থান পাটনা, বাগলপুৰ, চোটনাগপুৰ আদি ঠাইত, গোৱালসকলৰ তিনিটা ফৈদ আছে- কৃষ্ণবংশী, যদুবংশী আৰু নন্দবংশী

**মুণ্ডা ঃ**

ভাৰতবৰ্ষৰ জনজাতীয় লোকসকলৰ ভিতৰত মুণ্ডাসকল অন্যতম। তেওঁলোকৰ বিভিন্ন উপশাখা আছে। অসমৰ চাহ বাগিচাত কাম কৰা শ্ৰমিকসকলৰ এক বৃহৎ অংশ মুণ্ডাসকলে অধিকাৰ কৰি আছে। বিহাৰ, পশ্চিমবংগ আৰু উৰিষ্যা তেওঁলোকৰ প্ৰধান বসতিস্থল। মুণ্ডাসকলৰ মাজত বিভিন্ন গোত্ৰ আছে। তাৰে ভিতৰত টুটি, মানকি, বাৰ্লা, ভেংৰা, ৰদ্ৰা, হৰ, পুৰ্তি, টিৰ্কি, নাগ, কিৰকিলা, নাগবংশী, দেমতা, ধানোৱাৰ, ইন্দ আদি উল্লেখযোগ্য।

**চাওঁতাল ঃ**

চাহ বাগিচাত কাম কৰা লোকসকলৰ ভিতৰত চাঁওতাল সম্প্ৰদায়ৰলোকৰ সংখ্যাও যথেষ্ট। চাঁওতালসকল অসমৰ বিভিন্ন ঠাইত বাস কৰে। মুণ্ডাসকলৰ দৰে চাঁওতালসকলৰ মাজতো হাছদা, মুৰ্মু, চৰেন, টুডু, মাৰ্দি, কিছকু, বাছকে, বেচনা, হেমৰম, ছঁৰে, বিদ্যা, পাত্তৰী- এই বাৰটা গোত্ৰ আছে।

**ওৰাং ঃ**

ওৰাংসকলৰ পূৰ্বৰ বাসস্থান আছিল প্ৰধানকৈ বিহাৰ, পশ্চিমবংগ, মধ্যপ্ৰদেশ আৰু উৰিষ্যা। ওৰাং সকলৰ পাঁচটা ফৈদ আছে, সেইকেইটা হ'ল- বেৰ্গা ওৰাং, ধানকা ওৰাং, খাৰিয়া ওৰাং, খেন্দ্ৰ ওৰাং আৰু মুণ্ডা ওৰাং ওৰাংসকল দ্ৰাবিড় জাতিৰ বংশধৰ। তেওঁলোকৰ 'কুৰুখ' নামৰ নিজা দোৱান আছে।

এই সম্প্ৰদায়সকলৰ উপৰি চাহ-জনগোষ্ঠীয় লোকসকলৰ মাজত বহুতো জাতি আছে। অসমৰ বাহিৰৰ পৰা চাহ বাগিচাত কাম কৰিবলৈ অহা শ্ৰমিকসকলৰ আদি বাসস্থান যদিও ভাৰতৰ ভিন ভিন ঠাই, যদিও তেওঁলোক আছিল বিভিন্ন জাতি-জনজাতিৰ লোক, -তেওঁলোক এতিয়া অসমীয়া সমাজ জীৱনৰ লগত নিৰহ-নিপানীকৈ মিলি গৈ আজি হৈ পৰিল অসমীয়া জাতিৰ এক বিশিষ্ট অংগ, অসমীয়াৰ ভৰিষ্যতৰ অপৰিহাৰ্য খনিকৰ। তিতাবৰৰ চাহ-জনগোষ্ঠী সকল চাদ্ৰী আৰু কুৰমালী ভাষা ব্যৱহাৰ কৰে।

## ১.০৩ **তিতাবৰৰ চাহ-জনগোষ্ঠীলোকসকলৰ জনসংখ্যা আৰু জীৱিকা ঃ**

তিতাবৰ অঞ্চলৰ মুঠ জনসংখ্যা লোকপিয়ল অনুসৰি (২০১১) ২০১৭৯১ জন। এই তিতাবৰ অঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰে গঠিত। তিতাবৰ অঞ্চলত বসবাস বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত চাহ-জনগোষ্ঠীসকল অন্যতম। এই চাহ জনগোষ্ঠীসকলৰ আনুমানিক জনসংখ্যা ৭০/৮০ হাজাৰ। ভোটাৰ হিচাপত ৪৮/৫০ হাজাৰ।

চাহ-জনগোষ্ঠীসকলৰ জীৱিকাৰ মূল হৈছে চাহ বাগিছাত কৰ্ম। কিন্তু কিছুমান চাহ বাগিছাত কাম নকৰি গাঁও পাতি থাকি খেতি কৰ্ম কৰি জীৱন নিৰ্বাহ কৰি আহিছে। চাহ-জনগোষ্ঠী লোকসকল কৰ্ম সংখ্যক চৰকাৰী বেচৰকাৰীখণ্ডত কৰ্ম কৰে বুলি থকা মতবাদটো বৰ্তমান সলনি হৈ আহিছে। কাৰণ বৰ্তমান সময়ত অন্য জনগোষ্ঠীসকলৰ সমানে আগবাঢ়ি গৈছে এই চাহ-জনগোষ্ঠীলোকসকল। এই জনগোষ্ঠীসকলৰ মাজৰ বহুতে ডাঙৰ ডাঙৰ কৰ্মৰ পদবী দখল কৰিবলৈ সক্ষম হৈছে। ঠিক সেইদৰে তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীসকলৰ জীৱন ধাৰণ প্ৰণালী মন কৰিবলগীয়া। এওঁলোকে চাহ বাগিছাত কাম কৰাৰ উপৰিও চৰকাৰী বেচৰকাৰী অনুষ্ঠানত অংশ লৈছে। ডাক্তৰ, ইঞ্জিনিয়াৰ, শিক্ষককে ধৰি অন্যান্য পদবীৰ চাকৰিৰে জীৱন নিৰ্বাহ কৰি আহিছে। ব্যৱসায়ীৰ ক্ষেত্ৰতো এওঁলোক যথেষ্ট আগবঢ়া। ব্যৱসায়-বাণিজ্য কৰি জীৱন নিৰ্বাহ কৰিবলৈ ধৰিছে আৰু সফলতাৰ দিশত অগ্ৰসৰ হৈছে।

ওপৰত উল্লেখ কৰি অহা জনসংখ্যাৰ তথ্য আনুমানিকহে হয়। সঠিক তথ্য পোৱাটো সম্ভৱ হৈ নপৰিল। যাৰ ফলত আনুমানিক হিচাপে কোৱা হৈছে যদিও প্ৰায় সঠিক তথ্যৰ ওচৰা-ওচৰি হ'ব। জনসংখ্যা প্ৰতিটো ক্ষণতে বাঢ়ি অহা দেখিবলৈ পাইছোঁ সেয়ে সঠিক তথ্য দিব পৰা নগ'ল।

# দ্বিতীয় অধ্যায়

# দ্বিতীয় অধ্যায়
# তিতাবৰৰ চাহজনগোষ্ঠীয় লোকসকলৰ সামাজিক জীৱন

## ২.০১ তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলৰ অৰ্থনৈতিক জীৱন ঃ

সাম্প্ৰতিক প্ৰেক্ষাপটত চাহ শ্ৰমিক সমাজখনৰ অনগ্ৰসৰতাৰ মূল কাৰণসমূহ আলোকপাত কৰিলে শিক্ষাৰ সমস্যাটোহে সৰ্বপ্ৰথমে দৃষ্টিগোচৰ হয়। শিক্ষাই হৈছে সমাজ এখনক অগ্ৰগতিৰ জখলাত আগুৱাই নিয়াৰ মূল চাবিকাঠি। শিক্ষাৰ জৰিয়তেহে সমাজ এখনৰ উন্নয়নৰ মাপকাঠি নিৰ্ণয় কৰা হয়। শিক্ষাবিহীন এৰিষ্টটলৈ কৈছিল ‘শিক্ষাই সুস্থ দেহত সুস্থ মগজুৰ সৃষ্টি কৰে।’

সমাজ এখন বাস্তৱিকতে কিমান উন্নত সেয়া নিৰ্দ্ধাৰণ কৰে সমাজখনৰ শিক্ষাৰ মানদণ্ডই। গতিকে মানুহৰ সমাজ জীৱনত ব্যক্তি বিশেষে শিক্ষাৰ প্ৰয়োজন কিমান সেইয়া উপলব্ধি কৰিব পাৰিলেহে মানুহ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আগ্ৰহী হ’ব। যি শিক্ষাই সমাজত নতুনত্বৰ বীজ সিঁচিব নোৱাৰে তেনে শিক্ষাই কেতিয়াও উন্নতিৰ দিশত অগ্ৰসৰ হ’ব নোৱাৰে।

অসমৰ চাহ উদ্যোগৰ লগত জড়িত যুগ যুগ ধৰি অসমৰ সৰ্বাংগীন বিকাশৰ অৰ্থে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনত চাহ শ্ৰমিকসকলে আগবঢ়োৱা অৱদানৰ কথা কোনেও নুই কৰিব নোৱাৰে। কিন্তু অসমৰ প্ৰেক্ষাপটত এই চাহ জনগোষ্ঠীৰলোকসকল আজিও অন্য জনগোষ্ঠীৰ তুলনাত পিছ পৰি থকাৰ প্ৰধান অন্তৰায় হ’ল শিক্ষাৰ অভাৱ। উপযুক্ত শিক্ষাৰ অভাৱৰ বাবেই এই চাহ জনগোষ্ঠীৰ লোকসকলৰ সমাজখন অৱহেলিত, অনগ্ৰসৰিত। বৰ্তমান সময়ত এই লোকসকলৰ শৈক্ষিক দিশৰ অগ্ৰগতিৰ খাতিৰত কিছুমান আঁচনি হাতত লোৱা হৈছে যদিও পৰিসাংখ্যিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় বাগিচা অঞ্চলত শিক্ষাৰ হাৰ ৩০ শতাংশতকৈও কম। ব্ৰিটিছৰ কঠোৰ অত্যাচাৰ আৰু দুব্যৱহাৰ সহ্য কৰিও বাগিচাৰ শ্ৰমিকসকলে এক শতিকাত কৈয়ো অধিক কাল অসমৰ উন্নয়নৰ স্বাৰ্থত নিজৰ আত্মবলিদান দিছিল। ব্ৰিটিছৰ শাসনৰ বশৱৰ্তী হৈ অতি নিৰ্মম আৰু দুৰ্বিসহ জীৱন কটাবলৈ যাওঁতে অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ সমস্যাৰ অন্ত নাছিল শ্ৰমিকসকলৰ বাবে, তেনে স্থলত অন্যান্য প্ৰয়োজনসমূহৰ কথা ভাৱিবৰ অৱকাশ নাপালে।

পূৰ্বতকৈ তুলনামূলকভাৱে কিছু জীৱন যাপন সলনি হ’লেও আজিও তেওঁলোকৰ জীৱন দুৰ্বিসহ হৈ আছে। অসমত বসবাস কৰা সকলোজনগোষ্ঠীৰ ভিতৰত কম মূল্যত আটাইতকৈ বেছি শ্ৰমদান কৰা জনগোষ্ঠীটোৱেই হ’ল চাহ-জনগোষ্ঠী। এওঁলোকে কঠোৰতকৈও কঠোৰ পৰিশ্ৰম কৰাৰ পাছতো কষ্টৰ সম্পূৰ্ণ মূল্য নাপায়। আজিও জনগোষ্ঠীটোৱে নিজৰ প্ৰাপ্য অধিকাৰৰ দাবীত চিঞৰিব লগা হৈছে। সম্প্ৰতি অসমৰ অন্যান্য লোকসকলৰ লগতে চাহ জনগোষ্ঠী লোকসকলৰ মাজতো শিক্ষাৰ প্ৰসাৰৰ বাবে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰিছে। সৰ্বশিক্ষা অভিযান, সংযোগী শিক্ষাকেন্দ্ৰ ইত্যাদি ধৰণৰ আঁচনি প্ৰণয়ন কৰি বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছিল। কিন্তু এই আঁচনিসমূহ যথাযোগ্যভাৱে কাৰ্যকৰী নহ’ল। এজন মানুহ হিচাপে, সমাজৰ এগৰাকী সদস্য হিচাপেহে বা দেশৰ নাগৰিক হিচাপে আমাৰ সকলোৰে নৈতিক দায়িত্ব সমাজখনত সুস্থ, সবল ৰূপে গঢ় দিয়া। এইসমূহ শিক্ষাইহে সম্ভৱ কৰি তুলিব পাৰে। গতিকে যদি শিক্ষাৰে শিক্ষিত

হয়, অন্ধবিশ্বাস, কুসংস্কাৰ আদিবোৰৰ পৰা মুক্ত হৈ বিজ্ঞানসন্মত শিক্ষাৰে নিজকে গঢ়ি তুলিব পাৰোঁ, নৈতিকতা, মূল্যবোধ আদি দিশসমূহৰ প্ৰতি প্ৰাধান্য দি এখন সুস্থ-সবল আৰু সৰ্বাংগসুন্দৰ ৰূপেৰে সমাজখন গঢ়ি তুলিব পাৰোঁ, তেনেহ'লে অন্যান্য সমস্যাসমূহো বৌদ্ধিক জ্ঞানৰ বলেৰে সমাধান কৰিব পৰা যাব।

## ২.০২ তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলৰ শিক্ষা ঃ

তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীৰ লোকসকলৰ শিক্ষাৰ দিশটো উন্নত দেখিবলৈ পোৱা যায়। তিতাবৰৰ চাহ-জনগোষ্ঠীসকলৰ শিক্ষিতৰ হাৰ আনুমানিক এশ শতাংশৰ ভিতৰত ৪০ শতাংশ। দৰাচলতে বৰ্তমান সময়ত শিক্ষাৰ অবিহনে জীয়াই থকাটো কিমান কষ্টকৰ বুজি উঠিছে যাৰ বাবে বহু কষ্টৰ বিনিময়তো নিজ সন্তানক পঢ়ুৱাইছে। আচলতে যেতিয়া এজন এজনকৈ সমাজৰ প্ৰতিজন ব্যক্তিয়েই শিক্ষিত আৰু সজাগ হৈ উঠিব তেতিয়া চাহ জনগোষ্ঠী সমাজখনো উন্নয়নৰ জখলাডালত আগুৱাই গৈ শিখৰ স্পৰ্শ কৰিবলৈ সক্ষম হ'ব। এই কথা এওঁলোকে বুজি উঠিছে। তিতাবৰৰ সকলো চাহ বাগিচাৰে লোকসকলে কম-বেছি পৰিমাণে শিক্ষিত। এওঁলোকৰ মাজত বহুতো বিশিষ্ট ব্যক্তিৰ অৱদান আছে। অসমীয়া জাতিৰ মূলসূঁতিৰ চিৰ চেনেহী ভাষা সাহিত্যৰ সংস্কৃতিৰ এক প্ৰধান অংগ ৰূপ হৈছে চাহ জনগোষ্ঠীৰ লোকসকল। তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীসকলৰ মাজৰ কেইজনমান বিশিষ্ট ব্যক্তিৰ কথা উল্লেখ কৰাটো অতিশয় প্ৰয়োজনীয়। এওঁলোকে নিজৰ কৃষ্টি-সংস্কৃতি বৰ্তাই ৰাখি চাহ-জনগোষ্ঠীৰ সমাজখন দুৰ্বল নহয় ইয়াৰ ধাৰণা সকলোৰে আগত দাঙি ধৰিবলৈ সক্ষম হৈছে। তিতাবৰৰ এক ব্যতিক্ৰমী চাহ বাগিছা হৈছে মেজেঙ্গা চাহ বাগিছা। মেজেঙ্গা চাহ বাগিছাৰ ইতিহাস বুৰঞ্জীমূলক। পূৰ্বতে ব্ৰিটিছৰ সম-সাময়িক কালছোৱাত নিৰ্মিত এই বাগিছাখনত বহুতো সান্নিধ্য ব্যক্তি আছিল। তাৰে ভিতৰত এজন হ'ল শ্ৰম মন্ত্ৰী গজেন তাঁতী। এওঁ আছিল এসময়ৰ প্ৰাক্তন শ্ৰম মন্ত্ৰী। আনহাতে এই মেজেঙ্গাৰে বাসিন্দা, তথা তিতাবৰৰ বিশিষ্ট সমাজকৰ্মী শিৱৰাম কুৰ্মী, ৰাজনীতিবিদ প্ৰাণ কুৰ্মী আৰু বাগিছাৰ অভিভাৱক স্বৰূপ এজন সৎ নিষ্ঠাৱান অসম চাহ মজদুৰ সংঘৰ তিতাবৰ শাখাৰ বৰ্তমানৰ সাধাৰণ সম্পাদক নগেন কুৰ্মী দেৱ। এইজন বাগিছাৰে সুযোগ্য সন্তান সমৃদ্ধিশালী তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তিতাবৰ শাখাৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰদীপ কুৰ্মী। ইয়াৰ উপৰি তিতাবৰৰ 'অৰুণ কাঁৱৰ' চাহ জনজাতি জাতীয় সন্মিলনীৰ সাধাৰণ সম্পাদক, 'অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ' সভাপতি 'ধীৰাজ গোৱালা', '` ৰাখাল চন্দ্ৰ হাৰী' প্ৰবক্তা, নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰৰ আন এজন বিশিষ্ট ব্যক্তি হৈছে 'প্ৰবীণ কুৰ্মী', বহুমুখী কৃষি পাম ও গ্ৰাম্য পৰ্যটনৰ মুখ্য পৰিচালক আৰু দীপক কাৱাৰ সহযোগী, চেনীৰাম ওৰাং শিল্পী পেঞ্চনাৰ লগতে এজন অভিনেতা, লুকেশ্বৰ কুৰ্মী এই সকল ব্যক্তিৰ বৰঙনি তিতাবৰৰ চাহ-জনগোষ্ঠীসকলৰ গৌৰৱ। এওঁলোকে এইসমূহ বৰঙণি আগবঢ়াবলৈ যাওঁতে শিক্ষাৰ গুৰুত্ব লেখত ল'বলগীয়া। তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীসকল শিক্ষাৰ দিশত থমকি ৰোৱা নাই বৰ্তমান সময়ত।

দৰাচলতে শিক্ষাৰ জৰিয়তে তিতাবৰৰ চাহ-জনগোষ্ঠী সকলেই অকল নহয় সমগ্ৰ অসমৰ জনগোষ্ঠীটোক উন্নতিৰ শিখৰত আৰোহণ কৰা চাব বিচাৰে। যাৰ বাবে এচাম চাহ-জনজাতিৰ লোকে

অপাৰ চেষ্টা চলাই গৈ আছে আৰু শিক্ষা গ্ৰহণৰ উদ্দেশ্য কেৱল কিতাপ পঢ়াই নহয়। ইয়াৰ জৰিয়তে শিশুৱে ভৱিষ্যতে এজন সু-নাগৰিক হিচাপে নিজৰ লগতে আনৰ প্ৰতি কৰ্তব্য পৰায়ণ হ'ব লাগিব। ওপৰত উল্লেখ কৰা বিশিষ্ট ব্যক্তিসকলৰ উপৰিও ভালেমান ব্যক্তিৰ অৱদান নুই কৰিব নোৱাৰি। ওপৰত সকলো ব্যক্তিৰ অৱদানৰ বিষয়ে উল্লেখ কৰাটো সম্ভৱ নহ'ল।

শিক্ষা হৈছে মানুহৰ শৰীৰ, মন, মগজুৰ পৱিত্ৰতা, সততা আৰু শুদ্ধতাৰে জীৱন যাপন কৰাৰ প্ৰথম আহিলা, মানৱীয় মূল্যবোধ হৈছে সত্য, পৱিত্ৰ, বিনম্ৰ, দয়াশীল, ক্ষমা কৰিব পৰা, শ্ৰদ্ধা কৰা, ভক্তি কৰা, ভ্ৰাতৃত্ব বজাই ৰখা গুণসমূহ। সেয়ে শিক্ষাৰ উদ্দেশ্য জ্ঞান, দক্ষতা, স্বভাৱ, ব্যক্তিত্ব, সাংস্কৃতিক বিনিময় আহৰণৰ পদ্ধতিগত গুণৰ আহৰণ কৰোৱা। এজন বুদ্ধিমান, বিচাৰপূৰ্ণ শিক্ষিত শ্ৰমিকৰ কাম নিৰক্ষৰ ১০ জন শ্ৰমিকতকৈ অধিক গুণে ভাল পোৱা যাব।

তিতাবৰ অঞ্চলৰ চাহ জনগোষ্ঠীলোকসকলৰ শিক্ষা আৰু স্বাস্থ্যৰ সচেতনতা গঢ়ি চাহ শ্ৰমিক সমাজত পৰিৱৰ্তন আৰু আধুনিকতাৰ উন্নয়ন সাধন কৰিবলৈ সচেতন ব্যক্তিসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিব পাৰি। চাহ শ্ৰমিকৰ সতি-সন্তানসকল সুস্থ পৰিৱেশ আৰু সুস্থ বাতাবৰণত বিকাশ লাভ কৰা সুদূৰ ভৱিষ্যত দেশৰ একোজন চিন্তাশীল, দক্ষ সেৱাত ব্ৰতী হওঁক সেইদিন সোনকালে আহক তাৰ চিন্তা বৰ্তমান শিক্ষিতসকলৰ হাততেই ন্যস্ত হৈ আছে। অসমৰ চাহ বাগিছাত স্বাস্থ্য আৰু শিক্ষাৰ দিশত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন আৰু অসম সৰ্বশিক্ষা অভিযান মিছন, সমাজ কল্যাণ বিভাগৰ শিশু বিকাশ আঁচনিৰ সফল ৰূপায়নত চৰকাৰী ভূমিকা আছে। কিন্তু সেই কাৰ্যসূচীসমূহ ৰূপায়নৰ ক্ষেত্ৰত চাহ বাগিছা কৰ্তৃপক্ষ, চাহ শ্ৰমিক সংগঠন আৰু অধ্যয়নশীল ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলে অগ্ৰণী ভূমিকা ল'ব লাগিব।

**২.০৩ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ ধৰ্মীয় জীৱন ঃ**

চাহ-বাগিচাত শ্ৰমদান কৰি জীৱিকা নিৰ্বাহ কৰা শ্ৰমিকসকল আৰু বাগিছাৰ পৰা আঁতৰি গৈ খেতি-খোলা কৰি গাঁও পাতি থকা লোকসকলক লৈ চাহ জনগোষ্ঠী গঠিত। চাহ-জনগোষ্ঠী সম্প্ৰদায়ৰ বেছিভাগেই পাৰম্পৰিক হিন্দু ধৰ্ম গ্ৰহণ কৰিছে আৰু কিছুসংখ্যকে খ্ৰীষ্টান ধৰ্ম। অসমৰ আদিম অধিবাসী হিচাপে পৰিচিত চাহ জনগোষ্ঠীৰ অন্তৰ্গত জনজাতীয় বৈশিষ্ট্যসম্পন্ন লোকসকলে কেতবোৰ স্বকীয় বৈশিষ্ট্যৰ ধৰ্মীয় পৰম্পৰা মানি চলাৰ বিপৰীতে অ-জনজাতীয় লোকসকলে পৰম্পৰাগতভাৱে হিন্দুধৰ্মৰ শাস্ত্ৰাচাৰ নীতি অনুসৰি ধৰ্মীয় আচাৰ-অনুষ্ঠান সমূহ পালন কৰে।

সাধাৰণ অৰ্থত ধৰ্ম বুলি ক'লে এক বা একাধিক আলৌকিক শক্তিৰ ওপৰত থকা মানুহৰ বিশ্বাস আৰু এই বিশ্বাসৰ লগত জড়িত ৰীতি-নীতিসমূহ। গৰিষ্ঠসংখ্যক চাহ জনগোষ্ঠীৰ লোকে প্ৰকৃতি জগতৰ বিভিন্ন উপাদানসমূহক অলৌকিক শক্তিৰ প্ৰতীক হিচাপে পূজা অৰ্চনা কৰে।

তিতাবৰ অঞ্চলত বসবাস কৰা চাহ-জনগোষ্ঠীসকলৰ বেছি সংখ্যক লোক হিন্দু আৰু খ্ৰীষ্টান ধৰ্মাৱলম্বী। বেদ, উপনিষদ, পুৰাণ আৰু শ্ৰীমদ্ভাগৱত গীতাক আধাৰ হিচাপে লৈ গঢ়ি উঠা ধৰ্মীয় পৰম্পৰাৰ ঘাঁই সুঁতিটোৱেই হৈছে হিন্দু ধৰ্ম। ধৰ্মৰ এক বিস্তৃত অংশক প্ৰতিনিধিত্ব কৰা হিন্দু ধৰ্মীয় পৰম্পৰাৰ সৈতে চাহ জনগোষ্ঠীয় সমাজখনো অন্য পৰম্পৰাগত সমাজৰ দৰেই স্বতঃস্ফূৰ্তভাৱে

সংপৃক্ত হৈ পৰিছে। অসমলৈ অহাৰ আগৰেপৰাই একাংশ চাহ-জনগোষ্ঠীয় লোকে হিন্দু ধৰ্মীয় পৰম্পৰা মানি চলিছিল। এই পৰম্পৰা অনুসৰি তেওঁলোকে বেদ আৰু পুৰাণ প্ৰসিদ্ধ দেৱ-দেৱীসমূহক শাস্ত্ৰাচাৰ পদ্ধতি অনুসৰি বা স্বকীয় ৰীতিমতে পূজা কৰে, পূৰ্বজন্ম আৰু পৰজন্ম বিশ্বাস কৰে, তুলসী পূজা কৰে আৰু গৰুক পৱিত্ৰ জ্ঞান কৰে। সেয়েহে চাহ জনগোষ্ঠীয় সমাজত জনজাতীয় ধৰ্মীয় পৰম্পৰাৰ সমান্তৰালভাৱে হিন্দু ধৰ্মীয় পৰম্পৰাৰো এটা শক্তিশালী স্থিতি দেখিবলৈ পোৱা যায়। চাহ জনগোষ্ঠীয় সমাজত হিন্দু ধৰ্মীয় পৰম্পৰাৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ - এই তিনিওটা পৰম্পৰাতে বিশ্বাসী লোক আছে। অসমলৈ আহিয়ে চাহ জনগোষ্ঠীয় লোকসকলৰ একাংশই ব্ৰিটিছ চাহ খেতিয়কসকলৰ কথামতে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছিল। পৰম্পৰাগতভাৱে হিন্দু ধৰ্মীয় শাক্ত, শৈৱ আৰু বৈষ্ণৱ এই ধাৰাসমূহৰ আওতাত সোমাই চাহজনগোষ্ঠীসকলে নৱ বৈষ্ণৱ ধৰ্ম গ্ৰহণৰ জৰিয়তে সমাজ-সংস্কৃতি আৰু ধৰ্মীয় পৰম্পৰাৰ সৈতে একাত্ম হৈ পৰিছে। হিন্দু ধৰ্ম অৱলম্বন কৰাসকলে বিভিন্ন ঋতু অনুসৰি ভিন ভিন দেৱ-দেৱীৰ পূজা-অৰ্চনা কৰে। বৈদিক হিন্দু ধৰ্মৰ প্ৰভাৱ কম যদিও শক্তি উপাসনা কৰা শাক্ত সম্প্ৰদায়ৰ লোকৰ সংখ্যা অধিক।

তিতাবৰ অঞ্চলৰ চাহ জনগোষ্ঠীসকলৰ ভিতৰত কেইখনমান ঠাইৰ লোকে শংকৰদেৱ আৰু মাধৱদেৱ প্ৰচাৰিত অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছে। তিতাবৰৰ মেজেঙ্গা চাহ-বাগিছা, কুহুম চাহ বাগিছা, ঠেঙালবাৰী চাহ বাগিছা, ৰতনপুৰ, কাছজান, ৰঙাজান আদি চাহ বাগিছাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একশৰণ নামধৰ্ম গ্ৰহণ কৰিছে। অৱশ্যে এই সকলোবোৰ বাগিছাৰ এই ধৰ্ম গ্ৰহণ কৰা নাই, কিন্তু মেজেঙ্গা চাহ বাগিচাখন সম্পূৰ্ণ একশৰণ নামধৰ্মৰ শৰণ লোৱা। এই বাগিচাখনৰ বহুলোকেই বেলেগ ধৰ্ম লোৱা নাই। বাকী বাগান সমূহতো লাহে লাহে শংকৰী সংঘত সোমাই আহি আছে। তিতাবৰ অঞ্চলত বসবাস কৰা চাহ-জনগোষ্ঠীসকলৰ মাজত ধৰ্মৰ বহুত পাৰ্থক্য দেখিবলৈ পোৱা যায়। বিভিন্ন ধৰ্ম অৱলম্বন কৰি জীৱন ধাৰণ কৰি আছে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে চাহ-জনগোষ্ঠীৰ লোকসকলৰ ধৰ্মৰ ভিন্নতা দেখিবলৈ পোৱা গৈছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি তিতাবৰৰ হিন্দু ধৰ্মৰ ১৭৭৮৪৫ আৰু খ্ৰীষ্টীয়ান ধৰ্মৰ ৯০৪২ জন লোক পোৱা গৈছিল। শতাংশৰ দিশেৰে চাবলৈ গ'লে ৮৮.১৩ শতাংশ আৰু ৪.৪৮ শতাংশ। এইসমূহৰ ভিত্তিত তিতাবৰৰ চাহ জনগোষ্ঠীসকলৰ আনুমানিক হিন্দু ধৰ্মৰ ৬০ শতাংশ আৰু খ্ৰীষ্টান ধৰ্মৰ ৩০ শতাংশ আৰু বাকী ১০ শতাংশ অন্যান্য ধৰ্মাৱলম্বী লোক আছে।

# তৃতীয় অধ্যায়

# তৃতীয় অধ্যায়
# তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলৰ সাংস্কৃতিক জীৱন

### ৩.০১ তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ উৎসৱ-পাৰ্বণ ঃ

পৃথিৱীৰ আন আন মানৱ জাতিৰ নিজা নিজা সংস্কৃতি আৰু গীত মাত আছে, ঠিক সেইদৰে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অসমলৈ আহি একগোট হৈ থাকি চাহ জনগোষ্ঠীৰ নাম পোৱা লোকসকলৰো নিজা নিজা গীত মাত আছে। অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ চাহ বাগিচাত দীৰ্ঘকাল ধৰি বসবাস কৰি অহা চাহ জনগোষ্ঠীলোকসকল অসমীয়া সমাজৰ অপৰিহাৰ্য অংগ হৈ পৰিছে। অসমীয়া ভাষা-সংস্কৃতি আঁকোৱালী ল'লৈও চাহ জনগোষ্ঠীলোকসকলৰ নিজস্ব পৰিচয় আছে।

বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ মিলনভূমি হৈছে আমাৰ অসম প্ৰদেশ। য'ত অতীজৰ পৰা বসবাস কৰি আহিছে বিভিন্ন ধৰণৰ জাতি আৰু জনজাতি। অসমত থকা আন আন জনগোষ্ঠীৰ দৰেই চাহ জনগোষ্ঠীয় লোকসকলেও অসমীয়া সংস্কৃতিক গ্ৰহণ কৰি অসমত বৃহত্তম অসমীয়া সমাজাৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। চাহ-জনগোষ্ঠীয়ে অসমৰ সংস্কৃতি গ্ৰহণ কৰি আন আন থলুৱা উৎসৱসমূহৰ দৰে বিহু-সংক্ৰান্তিও উলহ-মালহেৰে পালন কৰে। কিন্তু তাৰ মাজতো তেওঁলোকে নিজৰ কলা-সংস্কৃতি, উৎসৱ-পাৰ্বনসমূহ উদ্‌যাপনৰ পৰা মুঠেই দূৰত থকা নাই। সময়ে সময়ে উদ্‌যাপন কৰিবলগীয়া উৎসৱ-পাৰ্বন হ'লেও তেওঁলোকে খুউব উলহ-মালহেৰে পালন কৰে। চাহ জনগোষ্ঠীয় লোকসকলৰ মাজত বহুতো উৎসৱ প্ৰচলিত হৈ আছে। তেওঁলোকে বহুতো উৎসৱ-পাৰ্বন উদ্‌যাপন কৰি নিজৰ সংস্কৃতিটোক জাকত জিলিকা কৰি তুলিছে। ঠিক সেইদৰে অসমত বসবাস কৰা প্ৰতিটো চাহ জনজাতিয়ে পালন কৰি অহা উৎসৱ-পাৰ্বন সমূহৰ ভিতৰত সৰহ সংখ্যক উৎসৱেই পালন কৰি আহিছে। অৱশ্যে তিতাবৰৰ চাহ-জনজাতি সকলৰ কিছুমানে শংকৰী সংঘৰ ধৰ্ম লোৱাৰ ফলস্বৰূপে এই উৎসৱ-পাৰ্বনসমূহৰ পৰা দূৰত থাকে যদিও সৰহ সংখ্যক লোকে উৎসৱ-পাৰ্বনসমূহ পালন কৰি আহিছে।

চাহ-জনগোষ্ঠীসকলৰ বেলেগ বেলেগ ঋতু আৰু সময়ত উৎসৱ সমূহ পালন কৰেষ চাহ-জনগোষ্ঠীসকলে পালন কৰা উৎসৱসমূহ কিছুমান বিশেষ উদ্দেশ্য আগত লৈ অতীজৰে পৰা পালন কৰি আহিছে।

তিতাবৰৰ চাহ-জনগোষ্ঠীসকলে পালন কৰা উৎসৱসমূহ হ'ল-

কৰম পূজা

টুচু পূজা

গ্ৰাম পূজা

মনসা পূজা

দুৰ্গাপূজা

চড়ক পূজা

সত্যনাৰায়ণ পূজা

ফাকুৱা
শিৱৰাত্ৰী
কালিপূজা, দীপান্বিতা
জন্মাষ্টমী
ব'হাগ বিহু, মাঘ বিহু
বাসন্তী পূজা বা মঙলা পূজা

**কৰম পূজা বা কৰম পৰৱ ঃ**

চাহ-জনগোষ্ঠীৰ লোকসকলেই পালন কৰে 'কৰম পৰৱ' অৰ্থাৎ 'কৰম পূজা' কৰম পূজা অসমৰ চাহ জনগোষ্ঠী লোকসকলৰ প্ৰধান জাতীয় উৎসৱ। কৰম পূজা মূলতঃ এটা কৃষিভিত্তিক উৎসৱ। এই কৰম পূজা চাহ জনগোষ্ঠীলোকসকলৰ জীৱনৰ লগত একাত্ম হৈ থাকে। কৰম পূজা বছৰৰ বিভিন্ন সময়ত তিনিবাৰ কৰে। যেনে- ভাদ মাহৰ শুক্লা একাদশীত 'জিতিয়া কৰম' আহিন মাহৰ বিজয়া দশমীত 'বুঢ়ী কৰম' আৰু আঘোন মাহৰ পূৰ্ণিমা তিথিত 'ৰাস ককা' পালন কৰা হয়। ভাদ মাহৰ শুক্লা একাদশীৰ জিতিয়া কৰমেই চাহ-বনুৱা সমাজত আটাইতকৈ আড়ম্বৰপূৰ্ণ উলাহ ভৰা উৎসৱ।

ঝুমুৰ অসমৰ চাহ-জনজাতিসকলৰ নৃত্য বিশেষ। ভাদ মাহৰ শুক্লা একাদশী তিথিত উদ্‌যাপিত চাহ জনজাতিসকলৰ কৰম পূজাৰ অংগ ৰূপে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰা হয়। মূলতঃ স্ত্ৰী প্ৰধান হ'লেও পুৰুষেও ঝুমুৰ নৃত্যত অংশ গ্ৰহণ কৰে। কৰম পূজাৰ দিনা সন্ধিয়াৰে পৰা ঝুমুৰ নৃত্য আৰম্ভ হয় আৰু বিভিন্ন সুৰ, তাল, লয়েৰে ওৰে নিশা চলি থাকে। কৰম পূজাৰ গুৰুত্বপূৰ্ণ অংশটো হৈছে বেলি উঠা বা ঝাৱা ধৰা। এই পূজাত অংশ ল'ব বিচৰা জীয়ৰী-বোৱাৰীসকল উপবাসে থকাটো নিয়ম। উপবাসে থকা মহিলাসকলক কৰমতী বুলি কোৱা হয়। কৰমতীসকলে পূজাৰ তিনি, পাঁচ আৰু সাতদিন মানৰ আগতে ঢোল, মাদল, বাঁহী আদিৰ ছেঁৱে ছেঁৱে ধূপ-দ্বীপ নৈবেদ্যসহকাৰে কোনো এক পুখুৰী বা নদীৰ ঘাটলৈ গৈ স্নান কৰা কাৰ্য সম্পাদন কৰি এডোখৰ ভাল ঠাইত ধূপ-দ্বীপ, নৈবেদ্য আদিৰে পূজা-অৰ্চনা কৰি, আৰতি গাই লগত নিয়া নতুন পাত্ৰত বা পাচিত সকলোৱে একাঁজলি বালি ভৰায়। এই বালিতেই কৰমতীসকলে নিয়া মাটিমাহ, বুটমাহ, মগুমাহ, ধান, বাজৰা, সৰিয়হ আদি শস্য সিঁচি দিয়ে। পূজাৰ দিনালৈ মাহ, সৰিয়হ আদিৰ গঁজালিবোৰ কেই আঙুলিমান বাঢ়িবলৈ ধৰে আৰু ইয়াকে ঝাৱা ধৰা বুলি কোৱা হয়। ঝাৱা ধৰাৰ দিনৰে পূজাৰ দিনলৈ গৃহস্থৰ ঘৰত প্ৰতিদিনে সন্ধিয়া চাকি-বন্তি জ্বলাই নৃত্য-গীতৰ আয়োজন কৰে আৰু কোনেও হাই-কাঁজিয়া বা কোনো গন্দগোল কৰিব নাপায়। তেনে কৰিলে কৰম দেৱতা বিতুষ্ট হ'ব পাৰে বুলি আশংকা কৰা হয়।

পূজাৰ বাবে সাধাৰণতে কৰম গছৰ ডাল কাটি আনি মাটিত পুতি পূৰ্ব পুৰুষক সুঁৱৰি পূজা পাতে। অৱশ্যে আজিকালি ইয়াৰ বাহিৰেও কদম গছ, বৰ গছ, বাঁহ গছ, কুঁহিয়াৰ আদি পুতিও পূজা কৰা হয়। ডাল পুতি কৰাসকলক 'ডাল কৰম' আৰু বাঁহ ফালি ফুলবাৰী কৰা কৰমক 'ফুল কৰম' বুলি কোৱা হয়। কৰমতীসকলে চোতালত কৰম বেদী স্থাপন কৰি তাত ফুল পুষ্পৰে সজাই তুলি যথা

নিয়মে ধূপ-দ্বীপ জ্বলাই আৰতি কৰি ঝাৰা অৰ্পণ কৰাৰ লগতে নানান উপহাৰ দি আগবঢ়াই দিয়ে। সন্ধিয়া ভগাৰ লগে লগে উপবাসে থকা কৰমতীসকলে বেদীৰ কাষত বৃত্তাকাৰে বহি লোকাচাৰ অনুসাৰে কাহনী বুঢ়াই কোৱা কৰম পূজাৰ প্ৰৱৰ্তক কৰমা আৰু ধৰমাৰ কাহিনী শুনে। তাৰ পিছত নৃত্য-গীত আৰম্ভ হয়। ঝুমুৰ আদি নৃত্য-গীতেৰে ডেকা-গাভৰুসকলে যেন প্ৰকাশ কৰে সামাজিক আৰু ব্যক্তিগত জীৱনৰ সুখ-দুখ, হা-হুমুনিয়াহ, বিৰহ বেদনা আদি। গোটেই নিশা পূজা চলাৰ পিছত পিছদিনা সূৰ্যোদয়ৰ লগে লগে কৰম ডালটো উভালি আনি ঢোল মাদলৰ ছেৱে ছেৱে নৃত্য গীতৰ মাজেৰে কৰমতীসকলে নাচি-বাগি নৈ বা পুখুৰীৰ পাৰলৈ গৈ কৰম উটুৱাই দিয়ে। সময়ৰ লগে লগে বিভিন্ন কাৰণত অৱশ্যে পৰম্পৰাগত নিয়মৰ কিছু সাল-সলনি হোৱাও দেখা গৈছে। মূলতঃ কৃষিভিত্তিক এই কৰম পূজা চাহ-বনুৱা সমাজৰ পূজা-পাৰ্বন সমূহৰ ভিতৰত আটাইতকৈ আড়ম্বৰপূৰ্ণ উৎসাহ ভৰা আৰু গুৰুত্বপূৰ্ণ উৎসৱ বা পৰ্ব বুলি গণ্য কৰা হয়।

**টুচু পৰৱ ঃ**

কৰম পূজাৰ নিচিনাকৈ টুচু পৰবো চাহ-জনগোষ্ঠীৰ লোকসকলৰ অতি প্ৰিয় উৎসৱ। পুহ মাহৰ সংক্ৰান্তিৰ দিনা এই উৎসৱ পালন কৰা হয়। ইয়াক 'পুচ পৰব' বুলিও কোৱা হয়। এই উৎসৱ প্ৰধানকৈ মহিলাসকলে পালন কৰে। টুচু পৰব পালন কৰিলে পৰিয়ালৰ মংগল হয়, সা-সম্পত্তি বৃদ্ধি আৰু তিৰোতাৰ মনৰ আশা পূৰণ হয় বুলি বিশ্বাস কৰা হয়।

টুচু পৰব পাতিবলৈ লোৱা তিৰোতা কেইগৰাকীৰ মুখিয়াল গৰাকীৰ টুচুৰ মাক হিচাপে বাছি লোৱা হয়। সাধাৰণতে টুচুৰ মাকৰ ঘৰতে পূজা পাতিবলৈ ঠিক কৰা হয়। টুচুৰ নামত নতুন বাঁহৰ সৰু পাচিত ন-চাউলৰ পিঠাগুৰি, ফুল, সেন্দুৰ আদি লৈ টুচুদেৱীক স্থাপন কৰি পূজাৰ আৰম্ভণি কৰা হয়। টুচুদেৱীক স্থাপন কৰাৰ পাছত টুচুমণিহঁতে অৰ্থাৎ টুচু পূজা পাতিবলৈ লোৱা তিৰোতাহঁতে সদায় গীত গাই টুচুদেৱীক জগায় আৰু পাছত গীত গায়েই টুচুদেৱীক নিদ্ৰা যাবলৈ দি ঘৰাঘৰি যায়। টুচুদেৱীৰ প্ৰতিমা সাধাৰণতে মাটিৰে সাজি লোৱা হয়। বাঁহৰ কাঠিৰে অথবা কাগজেৰেও মন্দিৰৰ দৰে সাজি লোৱা দেখা যায়। এনেদৰে সজাই লোৱা টুচুক চড়ন বা চৌডল বোলা হয়। পুহৰ সংক্ৰান্তিৰ ওৰে নিশা তিৰোতাবিলাকে টুচুপূজাৰ উপলক্ষে টুচুগীত গাই কটায়। তিৰোতাৰ উপৰি ডেকা বুঢ়া সকলোৱে পূজাত ভাগ লয়। টুচু পূজা পালন কৰিলে পৰিয়ালৰ মংগল হয় আৰু তিৰোতা সকলৰ মনৰ বাঞ্ছা পূৰ্ণ হয় বুলি চাহ জনগোষ্ঠীৰ লোকসকলে বিশ্বাস কৰে।

**গ্ৰাম পূজা ঃ**

গ্ৰাম পূজাৰ প্ৰতি চাহ-জনগোষ্ঠীসকলৰ গভীৰ বিশ্বাস বা আস্থা আছে। তেওঁলোকৰ বিশ্বাস যে এই পূজাভাগ যদি কোনো ভুল-ভ্ৰান্তি নোহোৱাকৈ সম্পন্ন কৰা হয়, তেন্তে তেওঁলোকৰ গাঁওখন সেই বছৰটোৰ বাবে সকলো ধৰণৰ অপায়-অমংগল আৰু যিকোনো মহামাৰীৰ পৰা মুক্ত হৈ থাকে। এই উৎসৱ তেওঁলোকে প্ৰতিবছৰে ব'হাগ বা জেঠ মাহত পালন কৰে। আহাৰ মাহতো পালন কৰা দেখা যায়।

গাঁৱৰ মাজৰ এডোখৰ নিৰ্দিষ্ট ঠাইত এই পূজা পালন কৰা হয়। এই ঠাইডোখৰক থান বোলা হয়। থানৰ মাজত এটি মাটিৰ চাৰিকোণীয়া ঢিপ তোলা হয়, সেইটোৱে পূজাৰ বেদী। পূজাৰ বেদীৰ ওপৰত ৰভা দি কল পুলি আদি ৰুই ঠাইডোখৰ সজাই তোলা হয়। গাঁৱত এজন পাহান বা ওজা থাকে; তেৱেঁই গাঁৱৰ পূজা-পাৰ্বণ আদিৰ কাম কৰে। পাহানৰ নিৰ্দেশমতে পূজাৰ এসপ্তাহমানৰ আগতে মংগলবাৰ দিন এটাত গাঁৱৰ সকলোৱে নিজৰ ঘৰৰ জাবৰ-জোঁথৰ আদি নি নিৰ্দিষ্ট ঠাইত পেলায়গৈ। পূজাৰ দিনা দুপৰীয়া সময়ৰ পৰা পূজাৰ কাম আৰম্ভ হয়। এই পূজাত মাহ-প্ৰসাদ আৰু ভোজ-ভাতৰ আয়োজন কৰা হয়। পূজাত বাদ্যযন্ত্ৰ আজি বজায় আৰু গেও উঠাসকলে তালে তালে নৃত্য কৰে।

**মনসা পূজা ঃ**

চাহ জনগোষ্ঠীৰ অনেক সম্প্ৰদায়ৰ মাজত সৰ্পদেৱী মনসাৰ পূজা কৰা প্ৰথা আছে। ভাদ মাহৰ শেষত এই পূজা পালন কৰা হয়। মনসা পূজাত তেওঁলোকে 'কড়ৰা' নামৰ এবিধ খেল খেলে। অসমত অতি প্ৰাচীনকালৰে পৰা এই মনসা পূজাৰ প্ৰচলন আছে।

**দুৰ্গা পূজা ঃ**

চাহ-জনগোষ্ঠীসকলৰ মাজত দুৰ্গাপূজাৰ যথেষ্ট প্ৰভাৱ দেখিবলৈ পোৱা যায়। পূজাৰ অলপ দিনৰ আগৰে পৰাই তেওঁলোকে নানা প্ৰকাৰে পূজাৰ প্ৰস্তুতি চলায়। চাহ জনগোষ্ঠীৰ মাজত থকা প্ৰায় সকলো সম্প্ৰদায়ৰ লোকে দুৰ্গাপূজা সামূহিকভাৱে পালন কৰে। তেওঁলোকৰ সম্প্ৰদায়সমূহৰ মাজত নিজাববীয়া পূজা-পৰ্ব্ব থাকিলেও শাৰদীয় দুৰ্গাপূজাই তেওঁলোকৰ মাজত সৰ্বাধিক জনপ্ৰিয়তা লাভ কৰা দেখা যায়।

**চড়ক পূজা ঃ**

চড়ক পূজা আন পূজাতকৈ ব্যতিক্ৰম। এই পূজা অতিকৈ শিহঁৰণকাৰী। পূজাত ভক্তসকলে নিজৰ শৰীৰত লোৰ কাঁটা বা বেজী সুমুৱাই পূজা কৰে। এই পূজাত ভক্তসকলে শৰীৰৰ পিঠি, বুকু, হাত, মুখ, জিভা আদিত কাঁটা সুমুৱাই নিজকে ঈশ্বৰৰ লগত বিলীন কৰিব বিচাৰে। ১ ব'হাগ অৰ্থাৎ বৃহত্তম অসমীয়া জাতিয়ে পালন কৰি অহা গৰু বিহুৰ দিনাই চাহ-জনগোষ্ঠীৰ সমাজত চড়ক পূজা প্ৰচলিত হৈ আহিছে। চ'তৰ ২৭-২৮ তাৰিখ অৰ্থাৎ ১১-১২ এপ্ৰিলৰ পৰাই মড়ক বস্তিৰ শিৱমন্দিৰত চড়ক পূজাৰ কাৰ্যক্ৰম আৰম্ভ হয়।

মাটিত শিমলুগছৰ খুঁটি এটা পুতি তাৰ চাৰিওফালে ঘূৰাই থাকিব পৰাকৈ এডাল বাঁহ বান্ধি তাৰ এমূৰে এজন মানুহ পিঠিত বৰশীৰ শিঙি ওলোমাই দিয়া হয়। আনটো মূৰে এডাল দীঘল জৰী বান্ধি লৈ মানুহজনক ঘূৰাই ঘূৰাই থকা হয়। চড়ক পূজাত দেওধনী নৃত্যৰ দৰে নৃত্য কৰে।

**সত্যনাৰায়ণ পূজা ঃ**

এই পূজা চাহ-জনজাতিৰ লগতে বেলেগ জনগোষ্ঠীৰ লোকেও নিজৰ ঘৰত অনুষ্ঠিত কৰে।

এই পূজা ঘৰৰ শান্তিৰ কাৰণে কৰে। ঘৰত কোনো ধৰণৰ দুখ নহওক, সুখ সমৃদ্ধিৰে ভৰি পৰাৰ উদ্দেশ্যৰে এই পূজা কৰা হয়।

**ফাকুৱা ঃ**

হোলী বা ফাকুৱা সৰ্বভাৰতীয় উৎসৱ যদিও চাহ জনগোষ্ঠীৰ মাজত উদ্‌যাপিত এই উৎসৱৰ কিছু সুকীয়া বিশেষত্ব আছে। চাহ-জনগোষ্ঠীসকলে এই দৌলযাত্ৰা উৎসৱক বৰ উলহ-মালহেৰে উদ্‌যাপন কৰে। হোলীৰ আগনিশা কোনো এডোখৰ ঠাইত খেৰ-বাঁহ আদিৰে এটা মেজি সাজে। পুৰোহিতে পূজা কৰাৰ পাছত সেই মেজিটো দাহ কৰা হয়। ইয়াকে 'হোলিকা দাহ' কৰা বোলে। নিশা মেজিৰ ওচৰত ডেকা-গাভৰু লগ-লাগি হোলী গীত গাই 'কাঠি নৃত্য' কৰে। এই নৃত্যত সকলোৰে হাতে-হাতে এহাতমান দীঘল কাঠি বা মাৰি লৈ ঢোল আৰু মাদলৰ ছেৱে ছেৱে ঘূৰি ঘূৰি নৃত্য কৰে। এই নৃত্যৰ লগতে লোকগীতসমূহৰ সৰহভাগেই কৃষ্ণবিষয়ক লোকগীত। এই কাঠিনৃত্য ৰাইজৰ ঘৰে ঘৰে লৈ প্ৰদৰ্শন কৰে আৰু গৃহস্থৰ মংগলাৰ্থে আশীৰ্বাদ দিয়ে। ফাগুণ মাহৰ পূৰ্ণিমা তিথিত উদ্‌যাপিত হোৱা হোলি বা ফাকুৱাক তেওঁলোকে 'চাগুৱা' পৰৱ বুলিও কয় আৰু তেওঁলোকৰ মাজত প্ৰচলিত প্ৰত্যক বছৰৰ আহিন মাহৰ পৰা আৰম্ভ হোৱা কুকুৰাৰ যুঁজ এই ফাকুৱা উৎসৱতেই সামৰণি পৰে।

**শিৱৰাত্ৰি ঃ**

ভগৱান শিৱৰ বিশেষ পূজাৰ দিন বছৰত এদিন  ফাগুন মাহৰ কৃষ্ণ চতুৰ্দশীত পালন কৰে। চাহ-জনগোষ্ঠীসকলে এই শিৱৰাত্ৰি অতি ধুমধামেৰে পালন কৰে। এই শিৱৰাত্ৰিৰ শুভ দিনটোত ভগৱান শিৱৰ ভক্তসকলে ব্ৰত ৰাখি ভগৱান শিৱক পূজা-অৰ্চনা কৰে। এই পূজা বহুত শ্ৰদ্ধাসহকাৰে পালন কৰে।

**কালিপূজা আৰু দীপান্বিতা ঃ**

চাহ-জনগোষ্ঠীসকলৰ কালিপূজা বা দেৱালী এটি বিশেষ উৎসৱ। লক্ষ্মী পূৰ্ণিমাৰ পাছৰ অমাৱস্যাত এই উৎসৱ পালন কৰা হয়। গো-সেৱাই এই উৎসৱৰ অন্যতম প্ৰধান উপলক্ষ্য; সেইবাবে ইয়াক গৰৈয়া পূজাও বোলে। 'গোহালিৰ মুখৰ পৰা গোহালিৰ ভিতৰলৈকে পিঠাগুৰি আৰু সেন্দুৰেৰে দাগ দিয়া হয়। সন্ধিয়া পিঠা আৰু মাটিমাহ সিজাই কলপাত পাৰি গোহালিৰ মুখতে গৰুক খাবলৈ দিয়া হয়। কেইবাদিনৰ আগৰে পৰা গৰুৰ শিঙত আৰু মূৰত মিঠাতেল ঘঁহা হয়। পূজাৰ দিনা গৰুবোৰ তেল-হালধিৰে বোলোৱা হয়।

এই পৰৱত চাহ-জনগোষ্ঠীৰ পুৰুষসকলে ঘৰে ঘৰে গৈ ঢোল-বাদ্য লৈ হুঁচৰি গায়। হুঁচৰিত গোৱা গীতবোৰক 'জাহালী গীত' বোলা হয় আৰু অহিৰে শব্দেৰে গীতবোৰ আৰম্ভ হয়। অহিৰ মানে গৰখীয়া।

**জন্মাষ্টমী ঃ**

শ্ৰীকৃষ্ণৰ জন্মক লৈ সমগ্ৰ অসমত এই জন্মাষ্টমী উৎসৱ পালন কৰা হয়। এই উৎসৱ চাহ জনগোষ্ঠীসকলে বহুত ধুমধামেৰে পালন কৰে।

**ব'হাগ আৰু মাঘ বিহু ঃ**

চাহ জনগোষ্ঠীৰ লোকসকলে ব'হাগ আৰু মাঘ বিহু বহু ধুমধামেৰে পালন কৰে সমগ্ৰ অসমৰ অসমীয়াৰ সকলৰ দৰে। অৱশ্যে ব'হাগ বিহুৰ সময়ত চাহ-জনগোষ্ঠীসকলে নিজৰ সংস্কৃতিৰ উৎসৱ পালন কৰে যদিও সৰহ-সংখ্যক লোকে কিন্তু ব'হাগ বা মাঘ বিহুক অসমীয়া সমাজ ব্যৱস্থাত যিদৰে পালন কৰে, সেইসমূহ নিয়মেৰে পালন কৰা দেখা যায়। বিহু হৈছে অসমৰ অসমীয়া জাতিৰ পৰিচয়। অৱশ্যে চাহ জনগোষ্ঠীসকল অসমত থিতাপি লোৱাপ পাছত অসমৰ এক অংশ হৈ পৰিলে যাৰ বাবে অসমৰ সকলো পৰম্পৰাক ধৰি ৰাখিবলৈ এওঁলোকে অপাৰ চেষ্টা চলাই আহিছে।

অৱশ্যে তিতাবৰ অঞ্চলৰ চাহ জনগোষ্ঠীসকলে এইসমূহ উৎসৱ-পাৰ্বনৰ উপৰিও অন্য কিছুমান উৎসৱ পালন কৰে। কিন্তু বেছিকৈ এইসমূহ উৎসৱ পালন কৰে। সময়ৰ সোঁতত কিছুসংখ্যক লোকে নিজৰ পৰম্পৰা বা সংস্কৃতিক ধৰি ৰখা নাই বা ব্যৰ্থ হৈছে। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা জীৱিকাৰ সন্ধানত অসমলৈ আহি অসমৰ চাহ বাগিচাসমূহত শ্ৰমিক হিচাবে কাম কৰি অসমতে নিগাজিকৈ থাকিবলৈ লোৱা চাহ-জনগোষ্ঠীয় লোকসকলে সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকংঙ্খ্যাৰ লগতে লৈ আহিল সাহিত্য আৰু সংস্কৃতি। বিভিন্ন অঞ্চলৰ পৰা আহি অসমৰ বাগিচাসমূহত একত্ৰিত হোৱা হেতুকে চাহ বনুৱাসকলৰ সংস্কৃতি সংমিশ্ৰিত আৰু বাৰেৰহণীয়া।

চাহ-জনগোষ্ঠীসকলৰ মাজত বিভিন্ন গীতৰ সমাহাৰ আছে। তেওঁলোকে বিভিন্ন সময়ত পালন কৰা উৎসৱ-পাৰ্বন সমূহত গোৱা গীতসমূহ সাধাৰণতে শুনিবলৈ অতিকৈ মধুৰ। দৰাচলতে উৎসৱ-পাৰ্বন সমূহৰ এটা অংশ হৈছে গীতসমূহ। বিভিন্ন সময়ত ব্যৱহৃত হোৱা গীত সমূহ হ'ল-

**ঝুমুৰ গীত ঃ**

ঝুমুৰ গীতবোৰত কঠোৰ শ্ৰমজীৱী লোকৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-পিৰিতিৰ কথা সহজ-সৰল আৰু পোনপতীয়া ভাষাৰে প্ৰকাশ পায়। ঝুমুৰ গীতসমূহ শুনিবলৈ শুৱলা। বিহুগীতবোৰৰ নিচিনাকৈ ঝুমুৰ গীতবোৰতো ডেকা-গাভৰুৰ মাজত প্ৰেম-ভালপোৱাৰ কথা, প্ৰেমৰ জ্বালা-যন্ত্ৰণাৰ কথা প্ৰকাশ পাই আহিছে। বৃহত্তৰ অসমীয়া সমাজত বিহুনাচ আৰু বিহুনাম যেনেদৰে সৰ্বজন প্ৰিয়, তেনেদৰে চাহ-জনগোষ্ঠীৰ লোকসকলৰ মাজতো ঝুমুৰ নৃত্য আৰু ঝুমুৰ গীত অতিকৈ প্ৰিয়।

'আচাম দেচেৰ বৈচাগ বিহু
কৰম পূজাৰ চমান ৰে,
সৃষ্টিৰ কথা আছে গাঁথা
দুনুতে চমান ৰে।'

ঝুমুৰ মূলতঃ কৃষিজীৱি সমাজৰ অৱদান যদিও কালক্ৰমত চাহ্ বাগিচাৰ জীৱনৰ কথা প্ৰতিফলিত হ'বলৈ ধৰিলে। একোটা ঝুমুৰ গীত প্ৰকৃততে তেওঁলোকৰ সমাজ জীৱনক তুলি ধৰা একো একোখন দাপোনস্বৰূপ। সময়, ঋতু, উপলক্ষ্য আদি ভেদে ঝুমুৰ নৃত্য আৰু গীতৰ প্ৰকাৰ বেলেগ বেলেগ হয়। আৰম্ভণিৰ প্ৰাৰ্থনামূলক গীতক বন্দনা বোলে।

**টুচু গীত ঃ**

টুচু পূজাৰ সময়ত টুচুদেৱীক কেন্দ্ৰ কৰি এই গীতসমূহ গোৱা হয়। টুচু বন্দনা গীত, টুচুক জগোৱা গীত, টুচুক খেলোৱা গীত, টুচুৰ বিয়া, টুচুদেৱীক নদীত বিসৰ্জন দিবৰ সময় গোৱা গীত আদি অনেক গীত আছে। টুচু গীতসমূহ টুচুদেৱীক কেন্দ্ৰ কৰি গালেও এই গীতসমূহৰ মাজেৰে চাহ-জনগোষ্ঠীৰ সামাজিক জীৱনৰ ছবি, হাঁহি-কান্দোনেৰে ভৰা ব্যক্তিগত জীৱনৰ নানা দিশ প্ৰতিফলিত হয়। কেঁচা বাঁহত ঘূণে ধৰাৰ দৰে দুখ-বেদনাৰে ভাৰাক্ৰান্ত ঘূণে ধৰা জীৱনৰ ছবিও টুচু গীতসমূহত পোৱা যায়।

'কি বলব্ গ' মাসী-পিসী
কি বলব্ দুখেৰ কথা
কাঁচা বাসে ঘূণে ধৰেছে
তেমনি হামাৰ দুৰ্দশা।'

**দমকচ ঃ**

দমকচ ঝুমুৰৰ নিচিনা, ডেকা-গাভৰুৱে একেলগে ধৰাধৰিকৈ গীত গাই নৃত্য কৰে। সাধাৰণতে এই গীতসমূহ চাদী অৰ্থাৎ বিয়াৰ উপলক্ষে পৰিৱেশন কৰা হয়। দমকচ বিয়া-বাৰু, জোৰোণ পিন্ধোৱা, নৱজাতক উপলক্ষে পতা উৎসৱ আদি আদি আনন্দোৎসৱসমূহত পৰিৱেশন কৰা হয়। কালীপূজা, দেৱালী আদিতো দমকচ গাই আনন্দ কৰা হয়।

**চাদীগীত ঃ**

অন্যান্য সম্প্ৰদায়ৰ দৰে চাহ জনগোষ্ঠীয় লোকসকলৰ বাবেও চাদী বা বিবাহ অনুষ্ঠান এক অতি আনন্দৰ আৰু উপভোগ্য অনুষ্ঠান। তেওঁলোকৰ মাজতো থকা বিভিন্ন সম্প্ৰদায়ৰ বিবাহৰ নীতি-নিয়ম বেলেগ বেলেগ হ'লেও বিবাহ অনুষ্ঠানত সকলোৰে গীত গোৱাৰ প্ৰথা আছে। এই গীতসমূহক চাদী গীত বুলিব পাৰি।

**কাঠিনৃত্য ঃ**

হোলী উৎসৱত তেওঁলোকে হাতে হাতে লাঠী বা মাৰি লৈ ঘৰে ঘৰে গৈ নৃত্য কৰে। ঢোলৰ তালে তালে হোলীগীত গাই ইজনে সিজনৰ মাৰিত আঘাত কৰি কৰা নৃত্য অতি আকৰ্ষণীয়।

**চহৰাই গীত ঃ**

দেৱালী বা চহৰাই উৎসৱত চাহ-জনগোষ্ঠীৰ লোকসকলে ঘৰে ঘৰে গৈ নৃত্যগীত পৰিৱেশন কৰেষ হুঁচৰিত গোৱা এই গীতসমূহক 'জাহালী গীত' আৰু গীতবোৰ 'অহিৰে' শব্দৰে আৰম্ভ হয়।

চাহ-জনগোষ্ঠীসকলে উৎসৱ-পাৰ্বন, গীত-নৃত্যৰ যোগেদি নিজৰ পৰিচয় দাঙি ধৰি আহিছে। চাহ জনগোষ্ঠীয় লোক উৎসৱ হওঁক বা অন্যান্য জনগোষ্ঠীৰ লোক উৎসৱ হওঁক প্ৰতিটো লোক উৎসৱৰে উৎস হ'ল কৃষিভিত্তিক। লোক উৎসৱ সমূহ সকলো জনগোষ্ঠীৰ লোকেই সমূহীয়াভাৱে পালন কৰে।

**৩.০২ চাহ জনগোষ্ঠীসকলৰ সাজপাৰ ঃ**

ইংৰাজে ভাৰতবৰ্ষ শাসন কৰি থকা সময়ত অসম প্ৰদেশত চাহ খেতি কৰিবৰ নিমিত্তে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা কিছু কৰ্মী জাতি বা জনগোষ্ঠীক ছলে-বলে কৌশলে অসমলৈ আনিছিল। চাহ-জনগোষ্ঠী সকলৰ মাজত অন্য জনগোষ্ঠীৰ দৰে পৰম্পৰাগত সাজ-পাৰ আছে। তেওঁলোকে নিজৰ সাজ-পাৰসমূহ বিভিন্ন সময়ত ব্যৱহাৰ কৰে। উৎসৱ-পাৰ্বন, বিয়া-সভাহত চাহ-জনগোষ্ঠীসকলে পৰিধান কৰি আহিছে। বৰ্তমান সময় গতিশীল হোৱাৰ লগে লগে আধুনিকতাক আকোঁৱালী ল'ব ধৰিছে যদিও বহুতে নিজৰ পৰম্পৰাক এৰি দিয়া নাই। চাহ-জনগোষ্ঠীসকলে বহুতো সময়ত প্ৰয়োজন সাপেক্ষে নিজৰ সাজ-সজ্জাক পৰিধান কৰি আহিছে।

তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীসকলে নিজৰ পৰম্পৰাক এৰি দিয়া নাই। সময়ৰ সোঁতত সলনি হৈ আহিছে যদিও বহুতে নিজৰ জনগোষ্ঠীটোৰ পৰম্পৰাক অৰ্থাৎ সংস্কৃতিক ধৰি ৰাখিছে। মানুহ জীয়াই থাকিবলৈ সাজ-পাৰ এটি অন্যতম। সাজ-পাৰে  লাজ নিবাৰণ কৰাৰ লগতে নিজৰ জনগোষ্ঠীটোৰ পৰিচয় দাঙি ধৰাত সহায় কৰে। তিতাবৰ অঞ্চলৰ চাহ-জনজাতিসকলে নিজৰ পৰিচয় দাঙি ধৰিবলৈ বা বেলেগৰ আগত প্ৰকাশ কৰিবলৈ আগবাঢ়ি আহিছে। নিজৰ জনগোষ্ঠীটোক বচাই ৰাখিবলৈ অপাৰ চেষ্টা চলাইছে।

চাহ-জনগোষ্ঠীসকল পূৰ্বতে নিজ নিজ ৰাজ্যত সুকীয়া সুকীয়া সাজপাৰ পৰিধান কৰিছিল বা অন্য অন্য সংস্কৃতি পালন কৰিছিল, অসমলৈ অহা পিছত উমৈহতীয়া গঠনমূলকভাৱে এক সংস্কৃতি সৃষ্টি কৰি চাহ-জনগোষ্ঠীৰ প্ৰায় সকলোবোৰ জাতিয়েই এক নিৰ্দিষ্ট সাজপাৰ বা পৰিধান সামগ্ৰিক আঁকোৱালী লয়।

সভ্যতাৰ আঙুলিত ধৰি এঢাপ এঢাপকৈ উত্তৰণ ঘটাই পৃথিৱীত জীৱশ্ৰেষ্ঠ হিচাপে মানৱ সমাজ প্ৰতিষ্ঠিত হ'ল। পোছাকবিহীন অন্য জীৱৰ তুলনাত জীৱশ্ৰেষ্ঠ মানুহে লজ্জা নিবাৰণ বা প্ৰকৃতিৰ কিছু গতানুগতিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পৰা নিজ স্বাস্থ্যৰ ক্ষতি হোৱাৰ পৰা বচাই ৰাখিবলৈ লাগে বেলেগ বেলেগ ধৰণৰ সুবিধাজনক বসন তৈয়াৰ কৰি ক্ৰমান্বয়ে জাতি-সংস্কৃতিৰ নামেৰে পোছাকবা সাজপাৰ তৈয়াৰ কৰি লয়।

চাহ-জনগোষ্ঠীসকলে সাংস্কৃতিক উৎসৱ-পাৰ্বণ অৰ্থাৎ কৰম পৰৱ, টুচুপৰৱ, হুহৰাই পৰৱ ইত্যাদিবোৰত তেওঁলোকে 'ঝুমুইৰ' নৃত্য-গীত পৰিৱেশন কৰোঁতে আঁঠুৰ তললৈকে কলাফুল ওলাই

থকাকে 'লাল পাৰী বগা শাড়ী পৰিধান কৰে। অৰ্থাৎ ৰঙা পাৰী লগাই থোৱা বগা শাৰীখন পৰিধান কৰে। হাতত ৰুমাল লয়। সেওঁতাত 'সীতাপটি' ভৰিত পয়ৰী' হাত আৰু ভৰিৰ আঙুলিত আঙঠি, ডিঙিত হাৰ মালা, হাতত খাৰু আদি পৰিধান কৰি গীত-নৃত্য পৰিৱেশন কৰে। এই সাজকে চাহ জনগোষ্ঠীয়ে জাতীয় সাজ বুলি কয়।

অসমত বাস কৰা চাহ জনগোষ্ঠীয় মহিলাসকলে কৰ্মস্থলীতে হওঁক বা গৃহস্থলীতে হওঁক এক মাৰ্জিত আৰু সাধাৰণ সাজ পৰিধান কৰে। যিহেতু চাহ জনগোষ্ঠীৰ প্ৰায়বোৰ মহিলাই বাগিচাৰ শ্ৰমিক সেয়ে তেওঁলোকে শ্ৰম আৰু অনুযায়ী সাজ পৰিধান কিছু সাল-সলনি কৰা দেখা যায়। গ্ৰীষ্মকালি বাগিচাত পাত ছিঙোতে মাৰ্জিতভাৱে ব্লাউজ, মেখেলা পিন্ধি তাৰ ওপৰত কঁকালৰ তলৰ ভাগত বা ভৰিত চাহ গছৰ ডালে যাতে খুচিব নোৱাৰে তাৰ বাবে বজাৰত পোৱা ডাঠ টিৰপাল মেৰিয়াই বান্ধি লয় আৰু গা ভাগত মতা মানুহৰ চোলা (হাত দীঘল) পিন্ধি লয়। ইয়াৰ উপৰি প্ৰায় এক মিটাৰমান জোখৰ ডাঠ ৰঙীন কাপোৰ এখন এক বিশেষ ভংগিমাৰে ডিঙিত লৈ পিঠিভাগ ঢাকে আৰু প্ৰয়োজন অনুসাৰে মুখৰ ঘাম আদিও মচে। ইয়াক 'ঝাৰণ' বুলি কয়। আনহাতে পাত ছিঙোতে বাঁহেৰে নিৰ্মিত টুপাটোৰ ৰছীডাল মূৰৰ ওপৰত দি টুপাটো পিঠিত ওলোমাই ৰাখিবলৈ মূৰৰ ভাগত গোলকৈ কাপোৰেৰে মেৰিয়াই এটাপাগুৰি বনাই তাৰ ওপৰত টুপাৰ ৰছীডাল থয়। এই পাগুৰিটোক 'নেঠ' বা 'বিড়া' বুলি কয়।

আনহাতে গৃহস্থলীত মহিলাসকলে ঘৰুৱা কাম-বনবোৰ কৰাৰ সুবিধাৰ্থে কপাহী শাড়ী পিন্ধা দেখা যায়। লগতে ডাঙৰক সন্মানাৰ্থে বোৱাৰীসকলে মূৰত ওৰণি লয়। অলংকাৰৰ ক্ষেত্ৰত কাণফুলি, নাকফুলি, আঙঠি, ডিঙিত চেইন বা মালা আদি পিন্ধে অৱশ্যে আগতে মহিলাসকলে 'সিকি মালা' (পইচাৰে বনোৱা মালা) ডিঙিত পিন্ধিছিল কিন্তু বৰ্তমান সময়ত এইবোৰ পৰিধান কৰা দেখা নাযায়। অৱশ্যে চাহ-জনগোষ্ঠীৰ একাংশ মহিলাই নাকফুলি নিপিন্ধে।

বৈবাহিক ৰীতি-নীতিৰ ক্ষেত্ৰত চাহ-জনগোষ্ঠীৰ মহিলাসকলে বজাৰত পোৱা আধুনিক সাজ-পোছাকেৰে বিবাহ অনুষ্ঠানত ভাগ লয়। চাহ-জনগোষ্ঠীৰ সাংস্কৃতিক সাজ 'লাল পাৰী বগা শাড়ী' অৰ্থাৎ ৰঙা পাৰী থকা বগা শাড়ী হয় যদিও বিবাহ বা অন্য তেনেধৰণৰ আনন্দৰ পৰিৱেশত বজাৰত পোৱা আধুনিক ৰংচঙীয়া শাড়ীহে পৰিধান কৰে। চাহ জনগোষ্ঠীৰ বিবাহিতা মহিলাসকলৰ বাবে সেন্দুৰ প্ৰযোজ্য আছে। তেওঁলোকে প্ৰতিটো সময়তে সেওঁতাত সেন্দুৰ লৈ থাকে আৰু যিবোৰ সম্প্ৰদায়ৰ মাজত সেন্দুৰৰ প্ৰচলন নাই তেওঁলোকে ভৰিৰ গোৰোহাত লাগি থকা ধূলি সেওঁতাত লয়। বিবাহৰ ক্ষেত্ৰত কইনাগৰাকীক চাহ জনগোষ্ঠীৰ প্ৰায়বোৰ সম্প্ৰদায়ে ৰঙা সাজ পৰিধান কৰে। আ-অলংকাৰৰ ভিতৰত চন্দ্ৰহাৰ, ডুড়ি, আঙঠি, সীতাপটি, মালা চেইন, নাকফুলি, কাণফুলি, ভৰিৰ আঙঠি, পয়ৰী, সিকিমালা ইত্যাদি।

সাংস্কৃতিক উৎসৱ-পাৰ্বণ অৰ্থাৎ কৰম পৰৱ, টুচু পূজা, ফাগুৱা পৰৱ, ছহৰাই পৰৱ ইত্যাদিবোৰত বিশেষকৈ তেওঁলোকে 'ঝুমুইৰ' নৃত্য গীত পৰিৱেশন কৰোঁতে আঁঠুৰ তললৈকে কলাফুল ওলাই থকাকৈ 'লাল পাৰী বগা শাৰী' পৰিধান কৰে। হাতত ৰুমাল লয়।

চাহ-জনগোষ্ঠী হিচাপে বিবেচিত মহিলাসকলে ওপৰত উল্লেখ কৰা সাজ-পাৰসমূহৰ উপৰিও

আধুনিক নাৰী বা মহিলাসকলে অন্য জাতি-জনগোষ্ঠীয় বা পশ্চিমীয়া সংস্কৃতিৰ সাজ-পোছাক পৰিধান কৰিব ধৰিছে। ছুৰিদাৰ, ঘাগৰা, জিন্স পেণ্ট-টপ আদি চাহ-জনগোষ্ঠীৰ ছোৱালীসকলে পৰিধান কৰাৰ উপৰি বিবাহিত মহিলাসকলে পৰিধান কৰা দেখা গৈছে। মহিলাসকলে নিজ সৌন্দৰ্য চৰ্চা বা নিজৰ শৰীৰটোক আকৰ্ষণীয় ৰূপে সজাবলৈ নিতৌ ন-ন সাজ পোছাক সৃষ্টি কৰিছে আৰু পৰিধান কৰিছে। বৰ্তমান সময়ত নৱপ্ৰজন্মই সৌন্দৰ্য বৃদ্ধিৰ বাবে যিকোনো সাজপাৰ পৰিধান কৰিবলৈ ধৰিছে। বৰ্তমানৰ সময় আধুনিকতাৰ যুগ অৰ্থাৎ ন ন চিন্তাধাৰাৰে আগবাঢ়ি যোৱা। অৱশ্যে এচাম চাহ-জনগোষ্ঠীয় যুৱক-যুৱতীয়ে নিজৰ সংস্কৃতিক এৰি দিয়া নাই।

### ৩.০৩ তিতাবৰ চাহ-জনগোষ্ঠীসকলৰ বাদ্যযন্ত্ৰ ঃ

অসমত বসবাস কৰা প্ৰতিটো জাতি-জনজাতিৰ দৰে চাহ-জনগোষ্ঠীৰো এটা নিৰ্দিষ্ট পৰম্পৰা আছে এই চাহ-জনজাতিসকলে নিজৰ সংস্কৃতিক ধৰি ৰখাত অলপো পিছপৰা নাই। বৃটিছে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অসমলৈ যেতিয়া চাহ-জনজাতিসকলক আনিছিল তেতিয়া তেওঁলোকে যিয়ে য'ত পাৰিলে লগত লৈ আনিছিল কিছুমান বাদ্যযন্ত্ৰ। সেই বাদ্যযন্ত্ৰসমূহৰ জৰিয়তে চাহ-জনজাতিৰ লোকসকলে সেইসময়ত মনৰ দুখৰ নিৰাদৰ মাত্ৰা অথবা সুখৰ আনন্দৰ প্ৰকাশ ঘটাইছিল সেই বাদ্যযন্ত্ৰসমূহৰ জৰিয়তে। সংগীত হৈছে মানুহৰ হৃদয়ৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। এই সংগীতৰ এক অন্তৰংগ বন্ধু হৈছে বাদ্যযন্ত্ৰ। সংগীতৰ তালে তালে বাদ্যযন্ত্ৰৰ সংগেও সংগীতক অধিক গুৰুত্ব প্ৰদান কৰিছে। চাহ-জনগোষ্ঠীৰ লোকসকলে অসমৰ মাটিকেই নিজৰ মাতৃভূমি ৰূপে সাৰটি লৈ লুপ্তপ্ৰায় বাদ্যযন্ত্ৰবোৰৰ মাজেৰে নিজৰ লোকসংস্কৃতিক জীয়াই ৰাখিছে।

চাহ-জনজাতিসকলৰ জীৱনত অপৰিৱৰ্তিত কলাৰূপে অহা বাদ্যযন্ত্ৰসমূহ তিতাবৰ অঞ্চলৰ চাহ-জনজাতিসকলে হেৰাই যাব নিদিয়াকৈ নিজৰ মাজত আৱদ্ধ কৰি ৰাখিছে। অসমত বসবাস কৰা সকলো চাহ জনজাতিসকলৰ দৰে বাদ্যযন্ত্ৰ সমূহ তিতাবৰ অঞ্চলৰ চাহ-জনজাতিসকলে ব্যৱহাৰ কৰি আহিছে বিভিন্ন উৎসৱ পাৰ্বন সমূহত। এই বাদ্যযন্ত্ৰসমূহ তেওঁলোকৰ জীৱনৰ এক এৰাই চলিব নোৱাৰা অংগ হিচাপে ব্যৱহাৰ কৰি আহিছে। চাহ-জনজাতিসকলৰ লেখত ল'বলগীয়া বাদ্যযন্ত্ৰসমূহ হ'ল-

১) মাদল
২) ঢাক
৩) ঢোল
৪) সহনাই বা চেহনাই
৫) হাড়ীঢোল
৬) কৰতাল
৭) ঠুদুম বা নিচান
৮) দাগকঠীয়া (ঘন)
৯) ঢুলুকি

এই সকলোবোৰ বাদ্যযন্ত্ৰ তিতাবৰ অঞ্চলৰ চাহ-জনজাতিসকলে ব্যৱহাৰ কৰি আহিছে। তলত প্ৰতিটো বাদ্যযন্ত্ৰৰে অলপ অলপকৈ আলোচনা দাঙি ধৰা হ'ল।

**মাদল ঃ**

এই মাদল নামৰ বাদ্যযন্ত্ৰটি চাহ সম্প্ৰদায়ৰ উল্লেখযোগ্য বাদ্যযন্ত্ৰ। বিশেষকৈ মুণ্ডা আৰু চাওতাল সম্প্ৰদায় লোকসকলে এই বাদ্যযন্ত্ৰটি বেছিকৈ ব্যৱহাৰ কৰে। কাঠ বা মাটিৰ খোলাত দুই মূৰে ছালেৰে ছাই মাদল নিৰ্মাণ কৰা হয় ছাল দুখনৰ এখন খালি ৰাখি আনখনত ঘূণৰ লেপন দিয়া হয় পূজা-পাৰ্বন, বিয়া-সবাহ, ঝুমুৰ আদিত এই বাদ্য বজায়।

**ঢাক ঃ**

চাহ-জনগোষ্ঠীৰ মাজত ঢাক-বাদ্যযন্ত্ৰটিৰ ব্যৱহাৰ অতি বেছি। কাঠৰ খোলাত দুই মূৰ তামৰাৰে এই ঢাক নিৰ্মাণ কৰা হয়। এই ঢাকটো বজাবলৈ দুডাল মাৰি থাকে আৰু তাৰে এডালৰ আকাৰ অলপ শকত আৰু আনডাল ক্ষীণ। ঢাকত এডাল ৰছীও থাকে যাতে কান্ধত উলমাই লৈ বজাবলৈ সুবিধা হয়। এই ঢাক-বাদ্যটি নহ'লে চাহ-জনগোষ্ঠীলোকসকলৰ পূজা-পাৰ্বন; বিবাহ কাৰ্য আদি শুভানুষ্ঠান কোনো কাৰণে সমাধা কৰিব নোৱাৰি।

**ঢোল ঃ**

এই ঢোল বাদ্যযন্ত্ৰটি ঢাক আৰু হাড়ী ঢোলতকৈ সৰু। এই ঢোল বজাবলৈ সাধাৰণতে দুডাল মাৰি লাগে, তাৰে এডাল শকত আৰু আনডাল ক্ষীণ। এই বাদ্যযন্ত্ৰটি চাহ-জনগোষ্ঠীৰ প্ৰায়বিলাক সম্প্ৰদায়ৰ মাজত ব্যৱহৃত আৰু প্ৰচলিত হৈ আছে।

**সহনাই বা চেহ্‌নাই ঃ**

চাহ-জনগোষ্ঠীৰ প্ৰাচীনতম বাদ্যযন্ত্ৰৰ ভিতৰত সহনাই বা চেহ্‌নাই বাদ্যটি অন্যতম। এইবিধ কাঁহ বা পিতলেৰে তৈয়াৰী এবিধ পেঁপা জাতীয় বাদ্য। চেহ্‌নাই সব্দক মংগলসূচক ধ্বনি হিচাপেই চাহ-জনগোষ্ঠীৰ লোকসকলে মানি আহিছে। বিয়া-সাবহত চেহ্‌নাই বাজি থকাটো অপৰিহাৰ্য। চেহ্‌নাইৰ সুৰ বৰ মিঠা আৰু হৃদয় বিদাৰক।

**হাড়ীঢোলঃ**

ঢাকতকৈ কিছু সৰু ঢোলবিধকে হাড়ীঢোল বোলা হয়। কেৱল মাংগলিক অনুষ্ঠানতে হাড়ীঢোল বজোৱা হয়। উপাসনাস্থলীত এই বাদ্যটি শ্ৰদ্ধাসহকাৰে ৰখা হয়।

**কৰতাল ঃ**

কৰতাল এবিধ সৰু বাদ্যযন্ত্ৰ। চাহ-জনগোষ্ঠী সমাজে এই বাদ্যযন্ত্ৰটিক ছমছমী বুলি আখ্যা

দিছে। এচটা কাঠত কেইবাযোৰ সৰু সৰু তাল লগাই নিৰ্মাণ কৰা হয়। ইয়াক হাতৰ পৰশতেই বজোৱা হয়। ইয়াৰ আকাৰ থলুৱা খুটিতাল সদৃশ। ইয়াক বিশেষকৈ নামঘোষা, কীৰ্তন আৰু ধৰ্মীয় পৌৰাণিক নৃত্য-গীতত ব্যৱহৃত কৰা হয়।

**টুদুম বা নিচান ঃ**

মাটিৰ খোলাত ছালেৰে এই বাদ্য নিৰ্মাণ কৰা হয়। চাওৰা, সম্বলপুৰীৰ লোকসকলে তেওঁলোকৰ বিয়া আৰু পূজা উৎসৱত এই বাদ্য বজাই নৃত্য-গীত কৰে। নাম কীৰ্তনৰ সময়ত ইয়াৰ প্ৰচলন দেখা যায়।

**দামকাঠীয়া (ঘন) ঃ**

ছয় বা আঠ ইঞ্চিমান দীঘল আৰু দুই ইঞ্চি প্ৰস্থৰ দুচিতা ফলা বাঁহৰ পৰা এই বাদ্য সজা হয়। সাধাৰণতে আধ্যাত্মিক গীত-মাতৰ লগত সংগত কৰা হয়।

**ঢুলকি ঃ**

এই ঢুলকি চাহ-জনগোষ্ঠী সমাজৰ একশ্ৰেণীৰ বাদ্য। এই বাদ্যযন্ত্ৰটি চাহ-জনগোষ্ঠী সমাজৰ ছাদী (বিয়া) আৰু কেঁচুৱাৰ জন্মোপলক্ষে ‘ছট্টী’ নামৰ শুদ্ধি অনুষ্ঠানত বজোৱা হয়। অৱশ্যে কিছুৱে এই বাদ্য নাম-কীৰ্তন, সংকীৰ্তন বা ভকতীয়া সমাজত বজোৱা নিয়ম আছে বুলি কয়। এই বাদ্যযন্ত্ৰটিৰ আন এটি নাম ‘বিচম ভাঁকি’। আন কিছুমানে বাদ্যটি ‘মনসা’ পূজাতো ব্যৱহাৰ কৰা দেখা যায়।

এইসমূহ বাদ্যযন্ত্ৰৰ উপৰিও আৰু বহুতো বাদ্য চাহ-জনগোষ্ঠীসকলে বিভিন্ন সময়ত ব্যৱহাৰ কৰে কিন্তু বৰ্তমান সময়ত বহুতো বাদ্যযন্ত্ৰ লুপ্ত পাই আহিছে।

**৩.০৪ তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীসকলৰ লোকবাদ্য ঃ**

পৃথিৱীৰ কোনো ঠাইৰ জলবায়ু আৰু পাৰিপাৰ্শ্বিক অৱস্থা আন এখন ঠাইৰ লগত নিমিলে। ঠাই এডোখৰৰ জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি পাৰিপাৰ্শ্বিক অৱস্থাভেদে খাদ্য-শস্যকে আদি কৰি ভিন্ন ধৰণৰ ফলমূল উৎপন্ন হয়। জলবায়ু আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত ভিত্তি কৰি মানুহৰ খাদ্যভাস গঢ় লৈ উঠে। মানুহ জীয়াই থাকিবৰ বেতুকে আহাৰ গ্ৰহণ কৰে। আহাৰ, পানীৰ অবিহনে মানুহ কিয়, কোনো জীৱ-জন্তুৱেই জীয়াই থাকিব নোৱাৰে, তেনেবোৰ দ্ৰব্যকে মানুহৰ আহাৰ বুলি কোৱা হয়। ভিন্ন ঠাইৰ মানুহে গ্ৰহণ কৰা আহাৰ আৰু খাদ্যসম্ভাৰ একে যেন লাগিলেও, আহাৰ আৰু খাদ্যসম্ভাৰৰ মাজত কিছু প্ৰভেদ বিৰাজমান। অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীৰে নিজা নিজা পৰম্পৰাগত আহাৰ আছে। সময় বাগৰি যোৱাৰ লগে লগে অসমত বসবাস কৰা জনসাধাৰণে প্ৰত্যেকটো আহাৰ গ্ৰহণ কৰিব ধৰিছে যদিও নিজা নিজা কিছুমান আহাৰ তেওঁলোকৰ মাজত প্ৰসিদ্ধ হৈ আছে। পৃথিৱীৰ ভিন ভিন অঞ্চলৰ লোকৰ খাদ্যভাস আৰু লোক-আহাৰ ভিন্ন। পৰিৱেশ পৰিস্থিতিক লৈয়েই মানুহৰ খাদ্যাভাস গঢ় লৈ উঠে। খাদ্যদ্ৰব্যসমূহ বেলেগ হোৱাৰ লগতে এইসমূহৰ ৰন্ধন প্ৰণালীও ভিন্ন হোৱা দেখা যায়।

অসমৰ অন্যান্য জাতি গোষ্ঠীৰ দৰে চাহ-জনজাতিসকলৰো নিজস্ব কিছু ভাল পোৱা আহাৰ আছে। পূৰ্বতে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অহা হেতুকে পূৰ্ব প্ৰদেশৰ জলবায়ু আৰু উৎপাদিত শস্যৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ খাদ্যাভাস গঢ় লৈ উঠিছিল। সেইকাৰণে জাতি-জনজাতি ভেদে প্ৰত্যেক জাতিগোষ্ঠীৰ খাদ্যসম্ভাৰ বেলেগ বেলেগ আছিল। সাম্প্ৰতিক সময়ত দুই এক দ্ৰব্যৰ বাদে অসমত উৎপাদিত প্ৰায়বিলাক খাদ্যসম্ভাৰকে এওঁলোকে নিজ খাদ্যৰ তালিকাত অন্তৰ্ভূক্ত কৰি লোৱা দেখা গৈছে। অসমত বসবাস কৰা প্ৰতিটো চাহ-জনজাতিৰ খাদ্যসম্ভাৰৰ দৰে তিতাবৰ অঞ্চলৰ চাহ-জনজাতিসকলে বৰ্তমান সময়ত ভাত আৰু ৰুটি দুয়োটাকে প্ৰধান আহাৰ হিচাপে গ্ৰহণ কৰা দেখিবলৈ পোৱা যায়। সাধাৰণতে এই চাহ-জনজাতিসকলে বাগিচাত কঠোৰ পৰিশ্ৰম কৰিবলগা হোৱাত তেওঁলোকে উখোৱা চাউলৰ ভাতকে পছন্দ কৰে। চাহ-জনজাতিসকলে ভাত আৰু ৰুটিৰ উপৰি পাতলীয়া আহাৰ হিচাপে চিৰা, মুৰি, চ্চালভুঞ্জা (কৰাই), কুণ্ডা (সান্দহ) আদি গ্ৰহণ কৰে। ই.াৰোপৰি বৰ্তমান সময়ত প্ৰচলিত বিভিন্ন দ্ৰব্যসমূহ খাদ হিচাপে গ্ৰহণ কৰিছে। বিশেষ প্ৰয়োজন বা উপলক্ষত তেওঁলোকে মুৰা, আখৈ, বিভিন্ন ধৰণৰ পিঠা, চুজি, চাবু দানা (চাগু), ছিজাবুট (সিজোৱা বুট), ভজা বুট, চাতুগুৰি, হালোৱা, পুৰি, দহি, গাখীৰ, পায়স, ৰঙা আলু, মুৰা আলু, কেচৰ কন্দা (হাবিত পোৱা এবিধ আলু), কাঠ আলু আদি খায়। তেওঁলোকে কিছু আলু সিজাই আৰু কিছু আলু কেঁচাই খায়। তেওঁলোকে ভাতৰ লগত দাইলৰ উপৰি বিভিন্ন ধৰণৰ শাক-পাচলিৰে ৰন্ধা তৰি-তৰকাৰি খায় ভাল পায়। চাহ-জনজাতিসকলে বিভিন্ন ধৰণৰ চাট্‌নি খায়, তেওংলোকৰ চাট্‌নি অতিকৈ প্ৰিয়। তেওঁলোকে পদিনা, আম, আমলখি, তেঁতেলী, আমৰা  (অমৰা), আদিৰ লগত নিমখ, জলকীয়া, নহৰু, পিঁয়াজ দি পটাত বটি বা পিছি খায়। এইবিলাকৰ উপৰি আলু, ভাতকেৰেলা, কেঁকোৰা, পুঠি মাছ, পোৰা গৗগে মাছ আৰু বিভিন্ন মাছ পুৰি চাট্‌নি বা পিটিকা কৰি খায়। এই চাট্‌নিসমূহ খাবলৈ অতিশয় স্বাদযুক্ত হয়। সময় আৰু সুবিধা বুজি বেচনৰ লগত বেঙেনা, আলু, ৰঙালাউ, পটল, কাঠ-আলু পাতল পাতলকৈ কাটি গৰম তেলত ভাজি খায়। চাহ-জনজাতিসকলে মাজ-সময়ে সোৱাদ বা খোৱাৰ জুতি বঢ়াবলৈ নিজে ঘৰতে আম, আমলখি, জলফাই, কৰ্দৈ, অমৰা, বগৰী, ঔটেঙা বা কুকুৰা মাংসৰ লগত আলু মিহলাই মা-মচলা দি শুকানকৈ ৰন্ধা ভাজি বিধ চাহ-বাগিচা অঞ্চলৰ লোকসকলৰ অতিকৈ প্ৰিয় খাদ্য। তেওঁলোকে ইয়াক চ্চাখনা বুলি কয়। তেঁতেলী টেঙাৰে তৈয়াৰ কৰা এবিধ জুলীয়া খাদ্য চাহ-জনগোষ্ঠীসকলৰ মাজত প্ৰচলিত আৰু এইটো খাবলৈ অতিকৈ স্বাদলগা।

চাহ-জনজাতিসকলৰ মাজত তেল আৰু মা-মচলাৰ ব্যৱহাৰ বহু বেছি। তেওঁলোকে প্ৰতিটো খাদ্য ৰন্ধন কৰিবলৈ যাওঁতে মা-মচলা ব্যৱহাৰ কৰে। তেওঁলোকে মা-মচলা আৰু বেছিকৈ তেল ব্যৱহাৰ কৰি খাদ্য ৰান্ধি বেছি সোৱাদযুক্ত কৰি তোলে।

চাহ-জনজাতিসকলে সাধাৰণতে হাঁহ, কুকুৰা, ছাগলী, পাৰ আদিৰ মাংস খায়। মাছৰ ভিতৰত তেওঁলোকে শ'ল, বৰালি, কুঢ়ি, চেনিপুঠি, পুঠি, শিঙি, মাগুৰ, গৰৈ, কাৱৈ, চেঙেলি, পাভ, মিছা, আঁৰি আদি খায়। কেঁকোৰা আৰু কুচিয়াও তেওঁলোকে খায়। মাছৰ আকাৰ অনুযায়ী ৰন্ধন প্ৰণালীও বেলেগ বেলেগ হয়। ডাঙৰ মাছ শ'ল, বৰালি আদিৰ দৰে মাছসমূহ বিলাহী বা টেঙা জাতীয় দ্ৰব্য মিহলি কৰি জোল কৰি খায় আৰু সৰু মাছসমূহ যেনে- গৰৈ, পুঠি, কাৱৈ আদি মাছসমূহ তেলত ভাজি নতুবা পুৰি

নিমখ, জলকীয়া, নহৰু, পিয়াজ, কেঁচা মিঠাতেল দি পটাত পিহি চাট্‌নি বনাই খায়। মোৰা-পুঠি আদি মাছ মা-মচলা সানি পাতত দি পাত পোৰা কৰিও খায়। চাহ-জনজাতিসকলৰ অন্যতম প্ৰিয় খাদ্য হৈছে শুকান মাছ। কেতিয়াবা নিজে মাছ ঘৰত শুকুৱাই শুকান মাছ তৈয়াৰ কৰি লয় যদিও বেছিভাগে বজাৰৰ পৰা কিনি অনা শুকান মাছকে খায়। সদায় মাছ-মাংস কিনি খাব নোৱাৰা লোকসকলে শুকান মাছ পুৰি অথবা ভাজি বনাই খায়। সেইবিলাকৰ ভিতৰত বাম্‌লা (এবিধ সাগৰীয়া মাছ), পুঠিমাছ, পাভ, চিংগড়ী (মিছা), মোৰা, টেঙৰী (শিঙৰা), নিমখ দিয়া মাছ (ইলিছ মাছ নিমখত দিয়া) আদি কেতিয়াবা পুৰি আৰু তৰকাৰি কৰি খায়। শুকান মাছৰ গোন্ধ বেয়া হ'লেও খাবলৈ বৰ সোৱাদ। মুৰ্গী আৰু হাঁহৰ কণী অমলেট অথবা তৰকাৰী ৰান্ধি খায়। এই চাহ-জনজাতিসকলে বিভিন্ন মাছৰ লগত বিভিন্ন ধৰণৰ খাদ্য দ্ৰব্য সংযোগ ঘটাই ইয়াক অধিক স্বাদযুক্ত কৰি খাব জানে। যেনে- মিছামাছৰ লগত সৰু আলু আৰু ভাতকেৰেলা, কুড়ি (কুঁহি) চেনিপুঠি মাছৰ লগত বিলাহী, বৰালি মাছৰ লগত চচালতা (ঔটেঙা), ঠিকসেইদৰে পাৰ চৰাইৰ মাংসৰ লগত গুটি আলু, বুঢ়া হাঁহৰ মাংসৰ লগত বুঢ়া কোমোৰা, অমিতা আৰু ৰঙালাউৰ লগত দাংবদী, ফুলকবিৰ লগত দিম (ভাঙি দিয়া হয়), ডালকচু বা পাতৰ লগত জলকীয়াৰ জ্বলা বা জালুকৰ গুৰা অথবা কণ বিলাহী, ঢেঁকীয়াৰ লগত আলু, বুট, কণ-বিলাহী দি ৰান্ধিলে অধিক সুস্বাদু হয়।

চাহ-জনগোষ্ঠীসকলে বিশেষভাৱে চজিনা, মৰিছা আৰু পুৰৈ শাকৰ আঞ্জা বৰ সোৱাদ লগাকৈ ৰান্ধি খাব জানে। শাক-পাচলিৰ ভিতৰত বছৰেকত এবাৰ পোৱা চ্ছাতু (কাঠফুলা) এওঁলোকৰ অতিকৈ প্ৰিয় খাদ্য। চ্ছাতুৰ লগত বেঙেনা মিশ্ৰণ কৰি বনাই খায় আৰু ই বহুত সোৱাদযুক্ত হয়। চচালতা টেঙা (ঔটেঙা) চাহ-জনজাতিসকলৰ আন এবিধ প্ৰিয় খাদ্য। শাক-পাচলিৰ ভিতৰত অসমত উৎপাদিত সকলো ব্যঞ্জন হিচাপে গ্ৰহণ কৰে। সেইবিলাকৰ ভিতৰত লাও, বেঙেনা, ডিঙলা (ৰঙালাউ), কোমোৰা, বিলাহী, গাজৰ, ফুলকবি, বন্ধাকবি, ভাতকেৰেলা, তিতা কেৰেলা, জিকা, তৰৈ, ভেণ্ডি, ধুন্দুলি, কুন্দৰী (কুন্দুলি), পোৰা কল, দাংবদী (দাংমাহ) উৰহী আদি। শাক-পাতৰ ভিতৰত লাই, লফা, পালেং, মূলা শাক, মৰিছা, কচু শাক, ঢেঁকীয়া, খুতৰা আদি খায়। চাহ-জনজাতিসকলে মাৰ নকঢ়াকৈ মাৰভাত বনাই খায়। তৰি- তৰকাৰি নাথাকিলে আন্দাজমতে পানী দি চাউল সম্পূৰ্ণকৈ সিজাৰ কিছুসময়ৰ আগতে নমাই মাৰভাত ৰন্ধা হয়। মাৰ নকঢ়া কাৰণে ভাতৰ সকলো স্বাদ ৰক্ষিত হোৱাৰ বাবে এই ভাত অধিক স্বাদযুক্ত হয়। মাৰ ভাতৰ লগত দাইল তৰকাৰি নহ'লেও কেৱল আলু, বেঙেনা, মাছৰ পিটিকা বা বিভিন্ন চাট্‌নি বনাই খায়। তেওঁলোকে বাচি ভাত (কৰ্কৰা), পইতা ভাত আদিও খায়। এই ভাতসমূহ নিমখ-জলকীয়া, নেমু, পিঁয়াজেৰে পেট ভৰাই খায়। খীৰ ভাত, খিচিৰি, পোলাও ৰান্ধি খায়। দাইলৰ ভিতৰত তেওঁলোকে মচুৰ, মাটি কলাই, ৰহৰ, বুটৰ দাইল আদি বেছিকৈ খায়।

লঘু আহাৰ হিচাপে চাহ-জনজাতিসকলে বিভিন্ন ধৰণৰ পিঠা বনায় খায়। প্ৰতিটো পিঠাৰে মূল উপাদান হৈছে পিঠাগুড়ি। এই পিঠাডুড়িৰ লগত অন্য কিছুমান উপাদান বা সামগ্ৰী সংযোগ কৰি পিঠাসমূহ তৈয়াৰ কৰে। প্ৰতিটো পিঠাকে বেলেগ বেলেগ নামেৰে নামকৰণ কৰা দেখা যায়। যেনে - পিঠাগুড়িৰ লগত গুড় মিহলাই বনালে গুড় পিঠা (কিছুমানে পংলাড়ু বুলিও কয়), তিল মিহলাই বনালে তিলপিঠা, অকল নিমখ আৰু পানী দি বনালে চ্চাকলি পিঠা। ইয়াৰোপৰি তেওঁলোকে বিভিন্ন

ধৰণৰ লাড়ু তৈয়াৰ কৰে, যেনে - নাৰিকলৰ লাড়ু, ফুলৰি, চুজিৰ লাড়ু, তিলৰ লাড়ু আদি বনাই খায়। চাহ-জনজাতিসকলে টেকেলি, কেট্‌লি পিঠাও বনায়। এওঁলোকে পোড় পিঠা নামেৰে এবিধ সকলো পিঠাতকৈ ডাঙৰ পিঠা বনায়। কিছুমান পিঠা পানীত সিজায়ো বনায়, এনে পিঠাক পানীপিঠা বুলি কয়।

চাহ-জনগোষ্ঠীৰ লোকসকলৰ সৰহ সংখ্যক লোকেই শ্ৰমিক হোৱাৰ বাবে আৰু শ্ৰমিক হিচাপে কঠোৰ পৰিশ্ৰম কৰিব লগা হোৱাত তেওঁলোকে ঘৰতে হাড়িয়া বনাই খায়। অৱশ্যে সকলো শ্ৰমিকে বা লোকে এই হাড়িয়া সেৱন নকৰে।

তিতাবৰ অঞ্চলৰ চাহ-জনজাতিসকলে ওপৰত উল্লিখিত সকলো খাদ্য গ্ৰহণ কৰি জীৱন ধাৰণ কৰি আহিছে। সময় পৰিৱৰ্তন হোৱাৰ লগে লগে খাদ্যাভাসসমূহ সলনি হৈ আহিছে। চাহ-জনজাতিসকলৰ খাদ্যসমূহৰ মাজত বিভিন্ন খাদ্যাভাস সোমাই পৰিছে যদিও নিজৰ পৰম্পৰাগত খাদ্যসমূহক এৰি আগবাঢ়ি যোৱা নাই।

আমাৰ সমাজ আৰু সংস্কৃতিৰ বৈশিষ্ট্যই হ'ল বৈচিত্ৰ আৰু বহুমুখিতা আৰু তাৰ ওপৰত আধাৰিত সামূহিক ঐশ্বৰ্য। চাহ-জনগোষ্ঠী সমাজে তেওঁলোকৰ নৱ-প্ৰজন্মক অসমৰ জাতীয় ভাষা, সাহিত্য, সংস্কৃতিক ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰতি উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ সন্তান-সন্ততিক সমগ্ৰ ভাৰতীয় সংস্কৃতি আৰু জৰনাদৰ্শৰ প্ৰতি শ্ৰদ্ধাশীল কৰি গঢ়ি তোলাৰ প্ৰয়াস কৰিছে আৰু লগতে ছাত্ৰ-ছাত্ৰীসকলক জাতীয় চেতনাৰে সমৃদ্ধ দেশৰ সু-নাগৰিক হিচাপে গঢ় দিয়া কাৰ্যৰো অংশীদাৰ হৈছে। অসমত হোৱা গণ-পিয়ল, ভাষা আন্দোলন আৰু অসমীয়া জাতীয় জীৱনলৈ সময়ে সময়ে আহি পৰা সংকটৰ সময়তো চাহ-জনগোষ্ঠীৰ লোকসকলে নিজকে অসমীয়া হিচাপে পৰিচয় দিয়া অথবা অসমীয়াৰ স্বাৰ্থৰ হকে মূল সুঁতিৰ লগত হাত মিলাই যুঁজ কৰাটো নিজৰ পৰম কৰ্তব্য হিচাপে পালন কৰি আহিছে।

৩.০৫ **তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীসকলৰ আ-অলংকাৰ ঃ**

চাহ-জনগোষ্ঠীসকলৰ বিভিন্ন আ-অলংকাৰ আছে। চাহ-জনগোষ্ঠীসকলৰ সাজ-পাৰসমূহৰ দৰে নিজা কিছুমান আ-অলংকাৰ আছে। অৱশ্যে বৰ্তমান সময়ত সেই আ-অলংকাৰসমূহৰ ব্যৱহাৰ কমি অহাৰ ফলস্বৰূপে লুপ্ত পাই আহিছে। আধুনিকতাক আকোঁৱালী ল'বলৈ যাওঁতে নিজৰ সম্পদ সমূহক হেৰুৱাই পেলাইছে। চাহ-জনগোষ্ঠীসকলৰ আ-অলংকাৰসমূহ অৱশ্যে সকলো ঠাইতে লুপ্ত পোৱা নাই। কিছুমানে ব্যৱহাৰ কৰি পৰম্পৰাক একতাৰ দোলেৰে বান্ধি ৰাখিছে। আ-অলংকাৰসমূহ হ'ল-

১) চিক্কিমালা
২) আঙঠি
৩) খংচ
৪) খাম্বীয়া মালা
৫) মালা
৬) ঠুৰিয়া
৭) ঝুমকা

৮) কাঁটা
৯) কাট্ৰা
১০) চন্দ্ৰহাৰ
১১) চিকৰি পঁয়ৰী
১২) বাজু
১৩) বেৰা
১৪) হাঁচলি
১৫) ঝুটিয়া
১৬) বোলাকি লুলুক'

চাহ-জনজাতিৰ তিৰোতাসকলে মূৰত সেওঁতাৰ পোনে পোনে ৰূপৰ চিতাপটি পিন্ধে, খোপাত পিন্ধে খংচ নামৰ এপাহ ৰূপৰ ফুল। কাণত পিন্ধে ঝুম্‌কা, নাকত পিন্ধে নথ, নাকৰ বিন্ধাৰ তলত বোলাকি লুলুক, নাকৰ ওপৰত নাকফুল। শকত আৰু গোলাকাৰ 'হাঁচ্‌লি' নামৰ অলংকাৰ ডিঙিত পিন্ধে। ডিঙিত পিন্ধা আন এবিধ অলংকাৰ হ'ল চন্দ্ৰহাৰ। হাতৰ বাউসীত পিন্ধে মটৰ মাজু। হাতত চুৰি বা বালা, হাৰ আঙুলিত আঙঠি বা আংটি আৰু কঁকালত পিন্ধে কমৰগঠ। ভৰিত এবিধ অলংকাৰ পিন্ধে নাম 'পাইজৰ পয়ৰি' বা চড়ামল। ভৰিৰ আঙলিত পিন্ধে ঝুটিয়া নামৰ এবিধ অলংকাৰ। পুৰুষসকলৰ অনেকৰে কাণত বিন্ধা কৰা দেখা যায়। কাণসি্‌ নামৰ এবিধ অলংকাৰ তেওঁলোকৰ পুৰুষসকলে কাণত পিন্ধে।

চাহ-জনগোষ্ঠী লোকসকলে পৰিধান কৰা চিক্কিমালা, নাকফুল, চিতাপটি, কাণতড়কা, জাঁচলি, বাজু, পঁইৰী, ঝুটীয়া, লুলুক আদি অলংকাৰসমূহৰ ব্যৱহাৰ লাহে লাগে লোপ পাই আহিছে।

# সামৰণি

'তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ সমাজ আৰু সংস্কৃতি' (তিতাবৰ বিধান সভা সমষ্টিৰ চাহ বাগিচা সমূহৰ বিশেষ উল্লিখন সহ) শীৰ্ষক গৱেষণা প্ৰকল্পটি তিনিটা অধ্যায়ত বিভক্ত কৰি বিষয়টোৰ সম্পৰ্কে ধাৰণা দিয়াৰ প্ৰচেষ্টা কৰা হৈছে। তিতাবৰ মহকুমাটি যোৰহাট জিলাৰ অন্তৰ্গত এক বৃহৎ মহকুমা। চাহ-জনগোষ্ঠীসকলৰ বিভিন্ন সামাজিক, সাংস্কৃতিৰ মিলনভূমি তিতাবৰ অঞ্চলত বা তিতাবৰ মহকুমাটোত এই জনগোষ্ঠীটো গঠিত। গৱেষণা প্ৰকল্পৰ প্ৰতিটো অধ্যায়ক কিছুমান উপ-অধ্যায়ত বিভক্ত কৰা হৈছে। গৱেষণা বিষয়টিৰ পৰিচয়, পৰিসৰ, পূৰ্বকৃত অধ্যয়নৰ উৎস, বিষয় অধ্যয়নৰ পদ্ধতি, উদ্দেশ্য আদি সম্পৰ্কে আলোচনা কৰা হৈছে। 'তিতাবৰৰ চাহ-জনগোষ্ঠী লোকসকলৰ চমু পৰিচয়' শীৰ্ষক প্ৰথম অধ্যায়টোত তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠী লোকসকলৰ অৱস্থিতি, জনসংখ্যা আৰু জীৱিকাৰ লগতে তিতাবৰৰ চমু ইতিহাসৰ দিশ সামৰি এটি আলোচনা আগবঢ়োৱা হৈছে। 'তিতাবৰৰ চাহ-জনগোষ্ঠী লোকসকলৰ সামাজিক জীৱন' শীৰ্ষক দ্বিতীয়টো অধ্যায়ত তিতাবৰৰ চাহ জনগোষ্ঠী লোকসকলৰ অৰ্থনৈতিক জীৱন, শিক্ষা, ধৰ্মীয় জীৱন সম্পৰ্কে আলোচনা দাঙি ধৰা হৈছে। 'তিতাবৰৰ চাহ-জনগোষ্ঠী লোকসকলৰ সাংস্কৃতিক জীৱন' শীৰ্ষক তৃতীয় অধ্যায়টোত তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠী লোকসকলৰ উৎসৱ-পাৰ্বণ, সাজপাৰ, বাদ্যযন্ত্ৰ, লোকবাদ্য, আ-অলংকাৰৰ দিশসমূহৰ ওপৰত আলোচনা আগবঢ়োৱা হৈছে।

গৱেষণা বিষয়টিত তিতাবৰৰ চাহ-জনগোষ্ঠী লোকসকলৰ জীৱন ধাৰণৰ প্ৰণালী সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। গৱেষণা গ্ৰন্থখনিৰ প্ৰতিটো অধ্যায়তেই শৃংখলাবদ্ধভাৱে উপ-অধ্যায়সমূহ সজোৱাৰ চেষ্টা কৰা হৈছে।

# পৰিশিষ্ট

## ক) তথ্যদাতা

| নাম | বয়স | বৃত্তি | ঠিকনা |
|---|---|---|---|
| পুনেশ্বৰ কুৰ্মী | ৩৮ | শ্ৰমিক (চাহ-বাগিচা) | বৰএৰা, যোৰহাট, তিতাবৰ |
| প্ৰবীন কুৰ্মী | ৪২ | চাকৰিয়াল | বাগ্‌দিয়া, যোৰহাট, তিতাবৰ |
| দীপক কাৰাৰ | ৪১ | | |
| চেনীৰাম ওৰাং | ৫৫ | অৱসৰপ্ৰাপ্ত শিক্ষক | দাংধৰা, যোৰহাট, তিতাবৰ |
| বালা তাচা | ৪২ | চাকৰিয়াল | বোকাহোলা, যোৰহাট, তিতাবৰ |
| আগস্তি উৰিয়া | ৬২ | শ্ৰমিক (চাহ-বাগিচা) | বোকাহোলা, যোৰহাট, তিতাবৰ |
| বিশ্বকা উৰিয়া | ৫৫ | শ্ৰমিক | বোকাহোলা, যোৰহাট, তিতাবৰ |
| অমৃত কালিন্দী | ২৭ | শ্ৰমিক/কৃষক | মাধপুৰ চাহ-বাগিচা, তিতাবৰ |
| প্ৰতিমা কালিন্দী | ২৫ | গৃহিণী | মাধপুৰ যোৰহাট, তিতাবৰ |
| অসুক ভূঞা | ৪৮ | শ্ৰমিক | গোবিন্দপুৰ যোৰহাট, তিতাবৰ |
| মণিকা ভূঞা | ৪২ | গৃহিণী | গোবিন্দপুৰ যোৰহাট, তিতাবৰ |
| শ্ৰৱণ বাক্তি | ৪০ | শ্ৰমিক | দফলাটিং, যোৰহাট, তিতাবৰ |
| সাৱিত্ৰী বাক্তি | ২৩ | গৃহিণী | দফলাটিং, যোৰহাট, তিতাবৰ |
| ৰীতা বাক্তি | ৩৪ | শ্ৰমিক | দফলাটিং, যোৰহাট, তিতাবৰ |
| পুতলী কুৰ্মী | ৪৫ | শ্ৰমিক | মেজেঙ্গা চাহ-বাগিচা, তিতাবৰ |
| ৰূপম কুৰ্মী | ৩০ | শ্ৰমিক | মেজেঙ্গা চাহ-বাগিচা, তিতাবৰ |
| প্ৰশান্ত কুৰ্মী | ২৬ | শিক্ষক | মেজেঙ্গা চাহ-বাগিচা |
| অৰুণ চন্দ্ৰ বৰুৱা | ৬৮ | অৱসৰপ্ৰাপ্ত শিক্ষক | বিবিজান, ৱাৰ্ডনং -৫, তিতাবৰ |
| সঞ্জয় কুৰ্মী | ২৮ | শ্ৰমিক | মেজেঙ্গা চাহ-বাগিচা, তিতাবৰ |
| ৰাজবালা কালিন্দী | ৬২ | শ্ৰমিক | মাধপুৰ,  যোৰহাট, তিতাবৰ |